# ইউৰোপত ভাৰততত্ত্ব অধ্যয়নৰ ধাৰা

**[১]ড° বিজয় কুমাৰ শৰ্মা**
**প্ৰাধ্যাপক, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়**
**[২]যুগল কিশোৰ নাথ**
**গৱেষক, অসমীয়া বিভাগ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়**

**সংক্ষিপ্তসাৰ**

*ভাৰততত্ত্ব হৈছে ভাৰতীয় ইতিহাস, সভ্যতা-সংস্কৃতি, ভাষা-সাহিত্য, স্থাপত্য-ভাস্কৰ্য, বিধি-বিধান, আচাৰ-অনুষ্ঠান, ধৰ্ম, প্ৰথা-পৰম্পৰা, বাধা-নিষেধ আদি সকলো দিশৰ বিজ্ঞানসন্মত অধ্যয়ন। ভাৰততত্ত্ব এনে এক বহুমুখী শৈক্ষিক অধ্যয়ন ক্ষেত্ৰ, যি ভাষা, গ্ৰন্থ, ধৰ্ম, দাৰ্শনিক পৰম্পৰা, সামাজিক সংৰচনা, কলা,পুৰাতাত্ত্বিক সমল আদিৰ মাধ্যমত ভাৰতীয় উপমহাদেশৰ বহুস্তৰীয় ইতিহাস আৰু সমাজ-জীৱনৰ শৃংখলাবদ্ধ অধ্যয়ন কৰে। এই ক্ষেত্ৰখনৰ আৰম্ভণি কেৱল সংস্কৃত গ্ৰন্থৰ অনুবাদ আৰু ব্যাখ্যাৰে হৈছিল, কিন্তু বৰ্তমান ভাৰততত্ত্বই সংস্কৃতৰ উপৰিও পালি-প্ৰাকৃত, অপভ্ৰংশ ভাষা, বৌদ্ধ, জৈন, শিখ আদি ধৰ্মীয় শাখাৰ অধ্যয়নো সামৰি লয়। কলিকতাত ছাৰ উইলিয়াম জোনছে ১৭৮৪ চনত এছিয়াটিক ছচাইটি প্ৰতিষ্ঠা কৰি এছিয়াৰ কলা, ইতিহাস, সংস্কৃতি, সাহিত্য আৰু বিজ্ঞানসমূহৰ বিষয়ে অধ্যয়নক লক্ষ্য হিচাপে গ্ৰহণ কৰে। ইণ্ডোলজী (Indology) শব্দটো উনবিংশ শতিকাৰ আদিভাগত ইউৰোপীয় বিদ্যায়তনিক জগতত বিকশিত হৈছিল। পোন-প্ৰথমে জাৰ্মান পণ্ডিত ভাতৃদ্বয় অগষ্ট ৱিলহেম ৱন শ্লেগেল (August Wilhelm Von Schlegel 1767-1845) আৰু ফ্ৰিডৰিক শ্লেগেলে তেওঁলোকৰ দ্বাৰা সম্পাদিত Indische Bibliothek নামৰ বাৰ্ষিক গৱেষণা পত্ৰিকাখনত ফ্ৰিডৰিক শ্লেগেলে প্ৰথমবাৰলৈ Indologie (জাৰ্মান) শব্দটো লিখিত ৰূপত ব্যৱহাৰ কৰে। এই পত্ৰিকাখনৰ জৰিয়তেই ইণ্ডোলজী (Indology) শব্দটি ভাৰতীয় ভাষা-সাহিত্য আৰু সংস্কৃতিৰ বিদ্যায়তনিক আৰু শৃংখলাবদ্ধ অধ্যয়নৰ সৈতে সংযুক্ত হয়। অষ্টাদশ আৰু উনবিংশ শতিকাত ইউৰোপীয় পণ্ডিত আৰু প্ৰশাসকসকলৰ দ্বাৰা মৌলিক গ্ৰন্থৰ প্ৰকাশ, প্ৰাচীন সংস্কৃত গ্ৰন্থসমূহৰ অনুবাদ আৰু সমীক্ষাৰ লগতে সহস্ৰাধিক সংস্কৃত পাণ্ডুলিপিৰ উদ্ধাৰে ইউৰোপীয় বিদ্বানসমাজত ভাৰতীয় প্ৰাচীন ঐতিহ্য, সাহিত্য, ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰ, প্ৰথা-পৰম্পৰাৰ প্ৰতি গভীৰ আগ্ৰহ আৰু কৌতুহলৰ সৃষ্টি কৰে। এই বিবিধ পৰম্পৰাসমূহ মিলিয়েই ইউৰোপীয় ভাৰত অধ্যয়নক সমৃদ্ধ কৰি তুলিছে। আমাৰ 'ইউৰোপত ভাৰততত্ত্ব অধ্যয়নৰ ধাৰা' শীৰ্ষক আলোচনা পত্ৰত ভাৰততত্ত্বৰ সংজ্ঞা, স্বৰূপৰ লগতে ইউৰোপীয় দেশসমূহত ভাৰততত্ত্ব অধ্যয়নৰ ইতিহাস আৰু প্ৰকৃতি সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব।*

**বীজশব্দ ঃ**
*ভাৰতবৰ্ষ, ভাৰতীয় জীৱন-জগত, ভাৰততত্ত্ব, হিন্দু ধৰ্ম, সংস্কৃত সাহিত্য।*

**Article History:**
Received on 15 December, 2025
Accepted on 30 April, 2026

**অৱতৰণিকা**

সিন্ধু অৱবাহিকাত বেদসাহিত্যক আধাৰ কৰি যি উন্নত আৰু সুশৃংখলিত জীৱন ধাৰাৰ সূচনা হৈছিল, সেয়াই সনাতন পৰম্পৰা বা বৈদিক আৰ্যসকলৰ জীৱনধাৰা। এই সনাতন ভাৰতীয় জীৱন-জগত আৰু মূলতঃ সংস্কৃত সাহিত্যৰাজিৰ বিজ্ঞানসন্মত অধ্যয়নেই 'ভাৰততত্ত্ব'ৰ কেন্দ্ৰীয় অধ্যয়নীয় বিষয়। সংস্কৃত সাহিত্যৰ অনুবাদ আৰু বিচাৰ-বিশ্লেষণৰ মাজেৰে ইউৰোপত ভাৰতীয় চিন্তাধাৰাৰ প্ৰতি আগ্ৰহ জন্ম হৈছিল। এই আগ্ৰহেই ভাৰতীয় জীৱন-সংস্কৃতিক পৃথকে পৰ্যবেক্ষণ তথা অধ্যয়ন-অনুসন্ধানৰ প্ৰতি ইউৰোপীয়সকলক আৰু পাছলৈ সমগ্ৰ বিশ্বৰ লগতে ভাৰতীয় পণ্ডিতসমাজকো অনুপ্ৰাণিত কৰি তুলিছিল। যাৰ পৰিণতিতে 'ইণ্ডোলজী' নামৰ এক বিশেষ ভাৰত অধ্যয়ন প্ৰণালীৰ জন্ম হৈছিল। 'ইণ্ডোলজী' বা 'ভাৰততত্ত্ব' হৈছে ভাৰতীয় ইতিহাস, সভ্যতা-সংস্কৃতি, ভাষা-সাহিত্য, স্থাপত্য-ভাস্কৰ্য, বিধি-বিধান, আচাৰ-অনুষ্ঠান, ধৰ্ম, প্ৰথা-পৰম্পৰা, বাধা-নিষেধ আদি সকলো দিশৰ বিজ্ঞানসন্মত অধ্যয়ন। 'ভাৰততত্ত্ব' এনে এক বহুমুখী শৈক্ষিক অধ্যয়ন ক্ষেত্ৰ, যি ভাষা, গ্ৰন্থ, ধৰ্ম, দাৰ্শনিক পৰম্পৰা, সামাজিক সংৰচনা, কলা,পুৰাতাত্ত্বিক সমল আদিৰ মাধ্যমত ভাৰতীয় উপমহাদেশৰ বহুস্তৰীয় ইতিহাস আৰু সমাজ-জীৱনৰ শৃংখলাবদ্ধ অধ্যয়ন কৰে। এই ক্ষেত্ৰখনৰ আৰম্ভণি কেৱল সংস্কৃত গ্ৰন্থৰ অনুবাদ আৰু ব্যাখ্যাৰে হৈছিল, কিন্তু বৰ্তমান ভাৰততত্ত্বই সংস্কৃতৰ উপৰিও পালি-প্ৰাকৃত, অপভ্ৰংশ ভাষা, বৌদ্ধ, জৈন, শিখ আদি ধৰ্মীয় শাখাৰ অধ্যয়নো সামৰি লয়। কলিকতাত ছাৰ উইলিয়াম জোনছে ১৭৮৪ চনত এছিয়াটিক ছচাইটি প্ৰতিষ্ঠা কৰি এছিয়াৰ কলা, ইতিহাস, সংস্কৃতি, সাহিত্য আৰু বিজ্ঞানসমূহৰ বিষয়ে অধ্যয়নক লক্ষ্য হিচাপে গ্ৰহণ কৰে। 'ইণ্ডোলজী' (Indology) শব্দটো উনবিংশ শতিকাৰ আদিভাগত ইউৰোপীয় বিদ্যায়তনিক জগতত বিকশিত হৈছিল। পোন-প্ৰথমে জাৰ্মান পণ্ডিত ভাতৃদ্বয় অগষ্ট ৱিলহেম ৱন শ্লেগেল (August Wilhelm Von Schlegel 1767-1845) আৰু ফ্ৰিডৰিক শ্লেগেলে তেওঁলোকৰ দ্বাৰা সম্পাদিত *Indische Bibliothek* নামৰ বাৰ্ষিক গৱেষণা পত্ৰিকাখনত ফ্ৰিডৰিক শ্লেগেলে প্ৰথমবাৰলৈ Indologie (জাৰ্মান) শব্দটো লিখিত ৰূপত ব্যৱহাৰ কৰে। এই পত্ৰিকাখনৰ জৰিয়তেই 'ইণ্ডোলজী' (Indology) শব্দটি ভাৰতীয় ভাষা-সাহিত্য আৰু সংস্কৃতিৰ বিদ্যায়তনিক আৰু শৃংখলাবদ্ধ অধ্যয়নৰ সৈতে সংযুক্ত হয়। অষ্টাদশ আৰু উনবিংশ শতিকাত ইউৰোপীয় পণ্ডিত আৰু প্ৰশাসকসকলৰ দ্বাৰা মৌলিক গ্ৰন্থৰ প্ৰকাশ, প্ৰাচীন সংস্কৃত গ্ৰন্থসমূহৰ অনুবাদ আৰু সমীক্ষাৰ লগতে সহস্ৰাধিক সংস্কৃত পাণ্ডুলিপিৰ উদ্ধাৰে ইউৰোপীয় বিদ্বানসমাজত ভাৰতীয় প্ৰাচীন ঐতিহ্য, সাহিত্য, ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰ, প্ৰথা-পৰম্পৰাৰ প্ৰতি গভীৰ আগ্ৰহ আৰু কৌতুহলৰ সৃষ্টি কৰে। এই বিবিধ পৰম্পৰাসমূহ মিলিয়েই ইউৰোপীয় ভাৰত অধ্যয়নক সমৃদ্ধ কৰি তুলিছে। ভাৰতবৰ্ষৰ বাহিৰত ভৌগোলিক আৰু ভাষিক ব্যৱধানৰ বাবে ধ্বনি বিপৰ্যয় অথবা ধ্বনিৰ অল্পপ্ৰাণীভৱন ঘটি 'সিন্ধু'ৰ পৰা 'হিন্দু' আৰু 'ইণ্ডোচ'ৰ মাজেৰে বিৱৰ্তন লাভ কৰি 'ইণ্ডিয়া' নাম হয় আনহাতে ভাৰতবৰ্ষৰ ভিতৰুৱা সাংস্কৃতিক, বংশানুক্ৰমিক অথবা জাতিবাচক শব্দ হিচাপে ভাৰত নামটিয়ে বিকাশ লাভ কৰে। সেয়ে ইংৰাজী 'ইণ্ডোলজী' শব্দটো 'ভাৰততত্ত্ব' হিচাপে গ্ৰহণ কৰা হৈছে।

**অধ্যয়নৰ উদ্দেশ্য**

১। পাশ্চাত্যৰ দেশসমূহত ভাৰতীয় জীৱন-সংস্কৃতি অধ্যয়নৰ ধাৰা বিচাৰ কৰা।

২। ইউৰোপীয় দেশসমূহত ভাৰতীয় সভ্যতা-সমাজ-সাহিত্যৰ প্ৰতি ধাৰণা বিচাৰ কৰা।

৩। ভাৰততত্ত্বৰ সংজ্ঞা আৰু স্বৰূপ সম্পৰ্কে অধ্যয়ন কৰা।

৪। ইউৰোপত ভাৰততত্ত্ব অধ্যয়নৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ ঐতিহাসিক পটভূমি বিশ্লেষণ কৰা।

৫। সংস্কৃত বা অন্য ভাৰতীয় ভাষা-সাহিত্যৰ অধ্যয়নত ইউৰোপীয় গৱেষণাৰ ভূমিকা সম্পৰ্কে অধ্যয়ন কৰা।

**অধ্যয়নৰ গুৰুত্ব**

'ভাৰততত্ত্ব' পাশ্চাত্য বৌদ্ধিক জগতত বিকাশ লাভ কৰা ভাৰত অধ্যয়ন প্ৰক্ৰিয়া। ইউৰোপত ভাৰততত্ত্ব অধ্যয়নৰ ধাৰা শীৰ্ষক বিষয়টিৰ অধ্যয়নৰ জৰিয়তে ইউৰোপত ভাৰতীয় জ্ঞান পৰম্পৰাৰ অধ্যয়নৰ ইতিহাস সম্পৰ্কে জানিব পৰা হ'ব। ইউৰোপত ভাৰত সম্পৰ্কীয় জ্ঞানৰ আৰম্ভণি, গঠন, ব্যাখ্যা আদিৰ অধ্যয়ন ভাৰতীয় জীৱন-সংস্কৃতিৰ অধ্যয়নত সহায়ক হ'ব। সংস্কৃত অধ্যয়ন আৰু তুলনামূলক ভাষাবিজ্ঞানৰ ইতিহাস সম্পৰ্কে বা ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ ধাৰণা সম্পৰ্কেও এই অধ্যয়নৰ জৰিয়তে জানিব পৰা হ'ব। তুলনামূলক ধৰ্ম আৰু দৰ্শনৰ বিকাশ সম্পৰ্কেও এই অধ্যয়নৰ পৰা জানিব পৰা হ'ব। এইসমূহ দিশৰ পৰা প্ৰস্তাৱিত বিষয়টিৰ গুৰুত্ব অনুধাৱন কৰিব পৰা যায়।

**অধ্যয়নৰ পৰিসৰ**

আলোচনা পত্ৰখনৰ অধ্যয়নৰ পৰিসৰত ভাৰততত্ত্বৰ সংজ্ঞা আৰু স্বৰূপৰ লগতে ইউৰোপৰ নিৰ্দিষ্ট কেইখনমান দেশত ভাৰততত্ত্ব অধ্যয়নৰ ইতিহাস, ধৰণ তথা বিশিষ্ট ভাৰততত্ত্ববিদৰ অৱদান সম্পৰ্কে আলোকপাত কৰা হ'ব।

**অধ্যয়নৰ পদ্ধতি**

'ইউৰোপত ভাৰততত্ত্ব অধ্যয়নৰ ধাৰা' শীৰ্ষক আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে পৰিচয়মূলক, বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰ সমান্তৰালকৈ তুলনামূলক পদ্ধতি প্ৰয়োগ কৰা হ'ব।

**ভাৰত অধ্যয়নৰ প্ৰাৰম্ভিক স্তৰ**

ভাৰতবৰ্ষৰ প্ৰতি প্ৰাচীন কালৰে পৰা বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ মানুহৰ অত্যন্ত আকৰ্ষণ আছিল। বিশেষকৈ মধ্য এছিয়াৰ দেশসমূহ, গ্ৰীচ, বেকট্ৰীয়া আদি দেশত ভাৰতকেন্দ্ৰীক অনেক কথা-প্ৰবাদ প্ৰচলিত হৈ আছিল। খ্ৰী.পূ. পঞ্চম শতাব্দীৰ গ্ৰীক দাৰ্শনিক হেৰোড'টাছৰ ভূগোলত সিন্ধু অৱবাহিকাক 'ইণ্ডোছ' বুলি অভিহিত কৰাৰ পাছত খ্ৰী.পূ. ৩৫০-২৯০ ৰ চন্দ্ৰগুপ্ত মৌৰ্যৰ সময়চোৱাত গ্ৰীক পণ্ডিত মেগেস্থেনিছ ভাৰতলৈ আহি *ইণ্ডিকা (Indica)* নামে পুথি প্ৰণয়ন কৰিছিল। তেওঁৰ গ্ৰন্থত ভাৰতৰ সীমা গাংগেয় উপত্যকাৰ মোহনালৈকে বিস্তৃত আছিল বুলি তথ্য প্ৰাপ্ত হয়। মেগেস্থেনিছে কৰা অধ্যয়নেই বিদেশী পণ্ডিতৰ প্ৰথম ঐতিহাসিক ভাৰত অধ্যয়ন। পৰৱৰ্তী সময়ত ষ্ট্ৰাবো, আৰিয়ান, প্লিনী, টলেমী আদি গ্ৰীক আৰু ৰোমান পণ্ডিতৰ ৰচনাত ভাৰত বিষয়ক কথাই স্থান পাইছিল। এইসকলৰ বেছিভাগৰে ভাৰত অধ্যয়নৰ আঁৰত ভাৰতৰ প্ৰতি উৎকণ্ঠা, বিশ্ব ভূগোলৰ জ্ঞান আৰু বাণিজ্যপথৰ সন্ধান আদি উদ্দেশ্য নিহিত আছিল। ৰচনাসমূহ মূলতঃ সাধাৰণ বৰ্ণনাত্মক, আনৰ পৰা সংগ্ৰহ কৰা তথ্যৰ আধাৰত আৰু পুৰাকথাৰ সৈতে সানমিহলি হৈ থকা বৰ্ণনাৰে ভৰা আছিল। মধ্যযুগত পশ্চিমীয়া দেশসমূহে ভাৰতক অত্যন্ত সমৃদ্ধ, আকৰ্ষণীয় আৰু অদ্ভূত-বিচিত্ৰ মানুহেৰে ভৰা বুলি কল্পনা কৰিছিল। এনে সময়তে, মধ্যপ্ৰাচ্যৰ গজনীৰ পৰা অহা জিজ্ঞাসু ভ্ৰমণকাৰী আল বেৰুণীয়ে *তাহকিক-আল-হিন্দ* নামৰ গ্ৰন্থখনত ভাৰতীয় দৰ্শন, ধৰ্ম, গণিত, খগোল আৰু ভূগোল সম্পৰ্কে অধ্যয়ন কৰি মধ্য প্ৰাচ্যৰ শাসক-সাধকৰ দৃষ্টি আকৰ্ষণ কৰে। চীনা পৰিব্ৰাজক হিউৱেন চাং সম্ৰাট হৰ্যবৰ্দ্ধনৰ দিনত ভাৰতলৈ আহি তদানীন্তন কামৰূপৰ সম্ৰাট কুমাৰ ভাস্কৰবৰ্মাৰ আতিথ্য গ্ৰহণ কৰে। তেওঁ ৰচনা কৰা *চি-ইউ-কি* গ্ৰন্থত ভাৰত আৰু কামৰূপৰ সংস্কৃতি, সমাজ-জীৱন, ধৰ্ম, আচাৰ আদি সম্পৰ্কে অধ্যয়ন কৰে। সম্ৰাট ছাহজাহানৰ জ্যেষ্ঠ পুত্ৰ দাৰাশিকোহে উপনিষদসমূহ সংস্কৃত ভাষাৰ পৰা পোনপ্ৰথমে পাৰ্চীভাষালৈ অনুবাদ কৰি পাৰস্য পৰ্যন্ত ভাৰতীয় উপনিষদীয় প্ৰজ্ঞাৰ প্ৰবহন কৰোৱায়। উপনিষদত নিহিত উচ্চস্তৰীয় দাৰ্শনিক চিন্তাধাৰাৰ প্ৰতি গভীৰ আগ্ৰহ প্ৰকাশ কৰি দাৰা শিকোহে উপনিষদৰ বিভিন্ন অংশ গ্ৰহণ কৰি সংস্কৃত পণ্ডিতৰ

সহায়ত পার্চীভাষালৈ অনুবাদ কৰায়। এই অনুবাদসমূহক একেলগে *সিৰ্ৰ-ই-আকবৰ* (মহান ৰহস্যৰ জ্ঞান) নামেৰে নামকৰণ কৰা হৈছিল।[১] দাৰা শিকোহে *মজমা-উল-বাহৰাইন* (দুখন মহাসমুদ্ৰৰ মিলন) গ্ৰন্থত উপনিষদীয় ব্ৰহ্ম-আত্মা আৰু চুফিবাদৰ মাজৰ দাৰ্শনিক ঐক্য ব্যাখ্যা কৰিছে।[২] পৰৱৰ্তী সময়ৰ ইটালীৰ ভ্ৰমণকাৰী মাৰ্ক প'ল'ৰ ভ্ৰমণ তথ্যৰ পৰা তদানীন্তন ভাৰতৰ ব্যৱসায়, মচলা, হাতী, নগৰৰ বৰ্ণনা আদি তথ্য প্ৰাপ্ত হয়। তেওঁ ভাৰতক ধন-সম্পদেৰে পৰিপূৰ্ণ অথচ অদ্ভুত ৰীতি-নীতিৰে ভৰা এখন ঠাই বুলি প্ৰকাশ কৰিছিল।

মধ্যযুগীয় ইউৰোপীয় ব্যৱসায়ী, মিছনেৰী তথা বিদ্বানসকলৰ দ্বাৰাও ষষ্ঠদশ শতিকাৰ পৰা অষ্টাদশ শতিকাৰ আগভাগলৈ ভাৰতীয় ভাষা-সাহিত্যৰ কিছু অধ্যয়ন হৈছিল। এই অধ্যয়নসমূহত ভাৰতীয় জ্ঞান পৰম্পৰাক সুব্যৱস্থিতভাৱে অধ্যয়নৰ প্ৰচেষ্টা দেখা যায়। ইউৰোপীয় ব্যৱসায়ী তথা ভাষাবিদ ষ্টিভেন্সে ( Stevens, 1549-1619) প্ৰথমবাৰৰ বাবে ভাৰতীয় ভাষা বিশেষকৈ কোংকানী ভাষাৰ এক গভীৰ অধ্যয়ন কৰিছিল।[৩] যদিও এই অধ্যয়ন মূলতঃ ব্যৱসায়িক উদ্দেশ্যেৰে দক্ষিণ ভাৰতত উপস্থিত হোৱাৰ ফলশ্ৰুতিহে আছিল, তথাপিও এই অধ্যয়নৰ ভাৰততত্ত্বৰ ধাৰাত এক গুৰুত্ব আছে। ইটালীৰ পণ্ডিত ফিলিপ্পো সচেট্টিয়ে ( Filippo Sassetti, 1553-1602 ) সংস্কৃত আৰু ইটালীয়ান ভাষাৰ মাজত ভাষিক সামঞ্জস্য দেখা পাই সেই সম্পৰ্কে কিছু অধ্যয়ন কৰিছিল।[৪] ইটালীৰে অন্য এজন পণ্ডিত জিয়াক'ম' ফেনিচিঅ'ই ( Giacomo Fenicio,1582-1632) ভাৰতীয় পুৰাণ সাহিত্যত প্ৰাপ্ত তথ্যৰে ভাৰতীয় পৰম্পৰাৰ ওপৰত এলানি ৰচনা লিখিছিল। তেওঁৰ লগতে ভাৰতলৈ অহা আন এজন পণ্ডিত ডি ন'বিলি ( De Nobilli, 1577-1656) প্ৰথমজন ইউৰোপীয়ান, যি বৌদ্ধ সাহিত্যৰ প্ৰতি ধ্যান দি অধ্যয়ন কৰিবলৈ চেষ্টা কৰিছিল।[৫] সপ্তদশ শতিকাৰ আৰম্ভণিত দক্ষিণ ভাৰতীয় দুজন পৰ্তুগীজ ভাষা জনা ব্ৰাহ্মণৰ পৰা ভাৰতীয় পুৰাকথা, ধৰ্মীয় অনুষ্ঠান, সামাজিক ৰীতি-নীতি আদিৰ বিষয়ে তথ্য সংগ্ৰহ  কৰি ডাছ (Dutch ) পণ্ডিত আব্ৰাহম ৰ'জেৰিয়ছে (Abraham Rogerius) এখন গ্ৰন্থ ৰচনা কৰি দক্ষিণ ভাৰতৰ হিন্দু ধৰ্ম সম্পৰ্কে আলোকপাত কৰে।[৬] ফ্ৰান্সৰ ৰয়েল কলেজৰ গ্ৰন্থাগাৰিক ছাৰ বিগন্যন (Sir Bignon) য়ে বহুতো ভাৰতীয় সংস্কৃত পাণ্ডুলিপি ক্ৰয় কৰি ফ্ৰান্সলৈ লৈ যায়। সমসাময়িক ফৰাচী পণ্ডিত ফাদাৰ পো (Father Pons ) ৰে লেটিন ভাষাত প্ৰথমবাৰৰ বাবে সংস্কৃতৰ ব্যাকৰণ ৰচনা কৰে। তেওঁ অমৰকোষৰ অনুবাদ কৰাৰ লগতে বহু পৰিমাণৰ সংস্কৃত পাণ্ডুলিপি ফ্ৰান্সলৈ লৈ যায়।[৭] ভাৰতীয় জ্ঞান পৰম্পৰাৰ অপাৰ ভঁৰাল এনেদৰেই ইউৰোপীয় পণ্ডিতৰ হাতত পৰি নতুন অধ্যয়নীয় বিষয় হৈ উন্মোচিত হয়।

মধ্যযুগীয় প্ৰাচ্য-পাশ্চাত্যৰ পণ্ডিত-ভ্ৰমণকাৰীৰ ৰচনাত যদিও ভাৰততত্ত্বৰ বিজ্ঞানসন্মত অধ্যয়নৰ সূচনা হোৱা নাছিল, বা এই অধ্যয়ন যদিও যাত্ৰা সম্বন্ধীয়, বাণিজ্যপথ সম্বন্ধীয়, অসম্পূৰ্ণ, কল্পনাসমৃদ্ধ তথা পুৰাকথাৰ প্ৰলেপযুক্ত আছিল, তথাপিও ভাৰতক বিশ্ব মানচিত্ৰত ৰাখি পাশ্চাত্যত ভাৰত জিজ্ঞাসাৰ ধাৰা এটা প্ৰবাহিত কৰি ৰাখিছিল। পৰৱৰ্তী পৰ্যায়ত, ইউৰোপীয়  বিদ্বতমহলৰ এই ভাৰত জিজ্ঞাসাই আধুনিক বিজ্ঞানসন্মত, পদ্ধতিগত অধ্যয়নৰ পথ প্ৰশস্ত কৰি ইণ্ডোলজীৰ আধাৰ প্ৰস্তুত কৰিব পাৰিছিল বুলিব পাৰি। ইউৰোপীয় চিন্তন-মননেৰে ভাৰত জিজ্ঞাসাই ক্ৰমশঃ এনে এক বিদ্যাতনিক শাখাৰ ৰূপ লাভ কৰিলে, য'ত ভাৰতীয় জীৱন-জগতক গ্ৰীচ আৰু ৰোমতকৈ ভিন্ন  ধৰণে বুজাৰ আৱশ্যকতা আহি পৰিল।

**ভাৰততত্ত্বৰ সংজ্ঞা আৰু স্বৰূপ**

ভাৰততত্ত্বৰ[৮] মূল ইংৰাজী শব্দ ‘Indology’। বিদেশী পণ্ডিত-লেখক-পৰ্যটকৰ মুখত ভাৰতবৰ্ষৰ নাম ইণ্ডিয়া **(India)** হিচাপেহে প্ৰসিদ্ধ থকাৰ বাবে বিদেশী পণ্ডিতসকলে ভাৰতৰ ধ্ৰুপদী সাহিত্য-সংস্কৃতি অধ্যয়ন কৰিবলৈ লৈ এই অধ্যয়নক ইণ্ডোল'জী (Indology) হিচাপে অভিহিত কৰিছিল। ইউৰোপীয় পণ্ডিতসকলে ঔপনিৱেশিক শাসনকালত ভাৰতীয় সংস্কৃত ভাষাৰ সাহিত্যসমূহৰ মাজত লুকাই থকা জ্ঞানৰ ভঁৰাল আৱিষ্কাৰ কৰি অধ্যয়ন আৰম্ভ কৰাৰ পৰাই ভাৰত

সম্পৰ্কীয় এক শৃংখলাবদ্ধ অধ্যয়নৰ এটা শাখা গঢ় লৈ উঠিল। ছাৰ উইলিয়াম জোনছৰ দ্বাৰা ১৭৮৪ চনত কলিকতাত এছিয়াটিক ছ'চাইটি প্ৰতিষ্ঠা হোৱাৰ পৰাহে এই ছ'চাইটিৰ মাধ্যমেৰে ভাৰতৰ সংস্কৃত সাহিত্যৰাজি ইউৰোপীয় পণ্ডিতসকলৰ চকুত পৰে।

ইণ্ডোলজী শব্দটো উনবিংশ শতিকাৰ আদিভাগত ইউৰোপীয় বিদ্যায়তনিক জগতত বিকশিত হৈছিল। পোন-প্ৰথমে জাৰ্মান পণ্ডিত ফ্ৰিডৰিক শ্লেগেল (Friedrich Schlegel 1772-1829)ৰ গ্ৰন্থ *Uber Die Sprache und Weisheit Der Indier (Eng. : On The Language and Wisdom of The Indians* 1808)ত ভাৰতীয় ভাষা আৰু দৰ্শনৰ বিষয়ে এক পদ্ধতিগত অধ্যয়ন কৰি ইণ্ডোলজীৰ ধাৰণাৰ বাট মুকলি কৰে। পৰৱৰ্তী সময়ত, জাৰ্মান পণ্ডিত ভাতৃদ্বয় অগষ্ট ৱিলহেম ৰন শ্লেগেল (August Wilhelm Von Schlegel 1767-1845) আৰু ফ্ৰিডৰিক শ্লেগেলে তেওঁলোকৰ দ্বাৰা সম্পাদিত *Indische Bibliothek* নামৰ বাৰ্ষিক গৱেষণা পত্ৰিকাখনত ফ্ৰিডৰিক শ্লেগেলে প্ৰথমবাৰলৈ Indologie (জাৰ্মান) শব্দটো লিখিত ৰূপত ব্যৱহাৰ কৰে।[৮] এই পত্ৰিকাখনৰ জৰিয়তেই ইণ্ডোলজী (Indology) শব্দটি ভাৰতীয় ভাষা-সাহিত্য আৰু সংস্কৃতিৰ বিদ্যায়তনিক আৰু শৃংখলাবদ্ধ অধ্যয়নৰ সৈতে সংযুক্ত হয়।

ভাৰততত্ত্ব হৈছে ভাৰতীয় ইতিহাস, সভ্যতা-সংস্কৃতি, ভাষা-সাহিত্য, স্থাপত্য-ভাস্কৰ্য, বিধি-বিধান, আচাৰ-অনুষ্ঠান, ধৰ্ম, প্ৰথা-পৰম্পৰা, বাধা-নিষেধ আদি সকলো দিশৰ বিজ্ঞানসন্মত অধ্যয়ন। ভাৰততত্ত্ব এনে এক বহুমুখী শৈক্ষিক অধ্যয়ন ক্ষেত্ৰ, যি ভাষা, গ্ৰন্থ, ধৰ্ম, দাৰ্শনিক পৰম্পৰা, সামাজিক সংৰচনা, কলা,পুৰাতাত্ত্বিক সমল আদিৰ মাধ্যমত ভাৰতীয় উপমহাদেশৰ বহুস্তৰীয় ইতিহাস আৰু সমাজ-জীৱনৰ শৃংখলাবদ্ধ অধ্যয়ন কৰে। এই ক্ষেত্ৰখনৰ আৰম্ভণি কেৱল সংস্কৃত গ্ৰন্থৰ অনুবাদ আৰু ব্যাখ্যাৰে হৈছিল, কিন্তু বৰ্তমান ভাৰততত্ত্বই সংস্কৃতৰ উপৰিও পালি-প্ৰাকৃত, অপভ্ৰংশ ভাষা, বৌদ্ধ, জৈন, শিখ আদি ধৰ্মীয় শাখাৰ অধ্যয়নো সামৰি লয়। ভাৰততত্ত্ব মানে কেৱল প্ৰাচীন ভাৰতীয় শাস্ত্ৰৰ ভাষিক বিশ্লেষণ নহয়, বৰঞ্চ এনে এক বহুমুখী অধ্যয়ন ক্ষেত্ৰ, যি ভাৰতীয় সভ্যতা, ভাষা, ভাষাবিজ্ঞান, সাহিত্য, ধৰ্ম, দৰ্শন, ইতিহাস, পুৰাতত্ত্ব, নৃতত্ত্ব, সমাজ-সংস্কৃতি, প্ৰথা-পৰম্পৰা, বিশ্বাস, প্ৰতীক আদি বিস্তৃত বিষয়ৰ অধ্যয়ন ভাৰততত্ত্বই আলোচনাৰ আওতাত ৰাখে। দৰাচলতে, ব্যাপকৰূপত ভাৰতীয় জীৱন-জগত (Indian Lebenswelt)ৰ দীৰ্ঘকালীন সাংস্কৃতিক বিকাশৰ অধ্যয়নেই ভাৰততত্ত্ব। ভাৰততত্ত্ব অধ্যয়নৰ প্ৰকৃতি অত্যন্ত জটিল। ভাৰততত্ত্ব এক পাঠ-নিষ্ঠ (Textual) বিষয়, কাৰণ প্ৰাচীন জ্ঞান বেছিভাগেই লিখিত ৰূপত উপলব্ধ। ভাৰততত্ত্ব এক ঐতিহাসিক(Historical) বিষয়, কাৰণ প্ৰাচীন পাঠ বা অন্যান্য সমলসমূহক কালবদ্ধভাৱে স্থান নিদিয়াকৈ অধ্যয়ন সম্ভৱ আৰু সম্পূৰ্ণ নহয়। ভাৰততত্ত্ব এক ভাষাবৈজ্ঞানিক (Linguistical) বিষয়, কাৰণ ভাষাৰ তাৰতম্যইহে ইউৰোপীয় বিদ্বানসকলক ভাৰত অধ্যয়নৰ বাবে প্ৰেৰণা দিছিল। ভাৰততত্ত্ব এক সাংস্কৃতিক (Cultural) বিষয়, কাৰণ ভাৰতীয় সংস্কৃতি পশ্চিমীয়া সংস্কৃতিতকৈ পৃথক হোৱা বাবেই উৎকণ্ঠিত হৈ ভাৰতীয় ধৰ্ম, সাহিত্য-সংস্কৃতি অধ্যয়নৰ বাবে ইউৰোপীয় পণ্ডিতসকল আগ্ৰহী হৈছিল। ভাৰততত্ত্ব এক নৃতাত্ত্বিক (Anthropological) বিষয়, কাৰণ এই অধ্যয়নে ভাৰতীয় মানৱ জাতিৰ ইতিহাস, ভাষিক ইতিহাস, সমাজ-পৰম্পৰাক সামৰি লয়। আপাততঃ, এককথাত ক'বলৈ গ'লে, এই অধ্যয়ন সম্পূৰ্ণৰূপে কেৱল ঐতিহাসিক নহয়, বা কেৱল দাৰ্শনিক বা কেৱল সাংস্কৃতিক বা কেৱল পাঠ আধাৰিত বা কেৱল নৃবৈজ্ঞানিক নহয়, ইয়াৰ বিপৰীতে এই সকলো দিশ সম্পৃক্ত হৈ ভাৰততত্ত্ব অধ্যয়নৰ মূল ভেটি প্ৰস্তুত হৈছে।

## ইউৰোপত ভাৰততত্ত্বৰ চৰ্চা

ভাৰত আৰু ভূমধ্যসাগৰীয় জগতৰ মাজত সংযোগ প্ৰাগৈতিহাসিক যুগৰ পৰা চলি আহিছে। তথাপি, পঞ্চদশ শতিকাৰ শেষত পৰ্তুগীজসকলে প্ৰত্যক্ষ যোগাযোগ স্থাপন নকৰালৈকে ভাৰত ৰহস্য আৰু কল্পকথাৰে আৱৰি থকা আছিল। তদুপৰি হিন্দু ধৰ্ম সম্পৰ্কেও সঠিক তথ্য উপলব্ধ হোৱা নাছিল, ইয়াৰ দুটা মুখ্য কাৰণ আছিল- ইউৰোপীয়সকলৰ খ্ৰীষ্টান

ধৰ্মীয় পক্ষপাতিত্ব, আৰু ব্ৰাহ্মণসকলৰ জাতিগত নিষেধাজ্ঞা আৰু পক্ষপাত, যাৰ ফলত তেওঁলোকৰ ধৰ্ম আৰু সাহিত্য সংস্কৃত ভাষাৰ বাধাৰ আঁৰত বন্দী হৈ থাকিল। এই পৰিস্থিতি পৰিৱৰ্তন কৰিবলৈ দুটা কাৰকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। ভাৰতত ব্ৰিটেইনে উপনিবেশ স্থাপন কৰিলে, আৰু ৱাৰেন হেষ্টিংছে ভাৰতীয়সকলক তেওঁলোকৰ নিজৰ প্ৰতিষ্ঠান আৰু ভাষাৰ জৰিয়তে শাসন কৰাৰ নীতি গ্ৰহণ কৰিলে। চৰকাৰী পৃষ্ঠপোষকতা আৰু দ্ৰুত পদোন্নতিৰ প্ৰতিশ্ৰুতিত উৎসাহিত হৈ, ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়াসকলে ভাৰতীয় ভাষাসমূহ শিকিলে আৰু ইণ্ডোলজীৰ ওপৰত গ্ৰন্থ প্ৰকাশ কৰিলে। তথাপিও সংস্কৃত এক ডাঙৰ বাধা হৈ থাকিল, কিন্তু অসাধাৰণ কষ্ট অতিক্ৰম কৰি চাৰ্লছ উইলকিন্স, উইলিয়াম জোন্স, এইচ. টি. ক'লব্ৰুক, উইলিয়াম কেৰী আৰু কিছুমান আন পণ্ডিতে সংস্কৃত শিকিবলৈ সক্ষম হ'ল আৰু ইউৰোপত হিন্দু ধৰ্ম সম্পৰ্কে সঠিক তথ্য উপস্থাপন কৰিলে।

## উপনিবেশকালীন ব্ৰিটেইনত ভাৰততত্ত্বৰ চৰ্চা

উপনিবেশকালীন ব্ৰিটেইনত ভাৰততত্ত্বৰ বিকাশ কেৱল জ্ঞানান্বেষণমূলক প্ৰয়াস নাছিল; বৰঞ্চ ই সাম্ৰাজ্যবাদী শাসন-নীতি, প্ৰশাসনিক প্ৰয়োজন আৰু বৌদ্ধিক আধিপত্যৰ সৈতে ঘনিষ্ঠভাৱে সংযুক্ত আছিল। অষ্টাদশ শতিকাৰ শেষভাগৰ পৰা উনবিংশ শতিকাৰ মাজভাগলৈ ব্ৰিটিছ পণ্ডিতসকলে ভাৰতীয় সভ্যতাক 'জ্ঞানৰ বস্তু' (Object of Knowledge) হিচাপে গঢ়ি তুলিছিল।

"খ্ৰীষ্টসংস্কৃতিৰ বহু আগতেই ভাৰতবৰ্ষত এক সুসংস্কৃত আৰু উন্নত সভ্যতা আৰম্ভ হৈছিল। যি সময়ত ইংলেণ্ডৰ লোকসকলে নিজৰ ৰঙচুৱা দেহত জন্তুৰ ছাল পিন্ধি অৰণ্যত বাস কৰিছিল, সেই অতীততেই ভাৰতীয়সকলে উচ্চ মানৰ সভ্যতা লাভ কৰিছিল।"[১০] লৰ্ড মেকলেই ভাৰতীয় ধৰ্ম, দৰ্শন, পুথিভঁৰাল আদি পৰ্যবেক্ষণ কৰি দেশখনৰ ভাষা সাহিত্যত কোনো প্ৰাচীন বিদেশী প্ৰভাৱ নেদেখি আচৰিত হৈ এই কথা ব্যক্ত কৰিছিল। তেওঁ ভাৰতৰ বৈদিক সাহিত্য-সংস্কৃতিৰ সংৰক্ষণ প্ৰনালী আৰু নিজস্বভাৱে বিকশিত শিক্ষা ব্যৱস্থা দেখি অভিভূত হৈছিল। উইণ্টাৰনিট্জেও একেধৰণে ব্যক্ত কৰিছিল, " যদি আমি নিজ সংস্কৃতিক আৰম্ভৰ পৰা শিকিবলৈ আৰু বুজিবলৈ বিচাৰোঁ, আমি ভাৰতলৈ যোৱা উচিত, কিয়নো তাতেই ইন্দো-ইউৰোপীয় জনগোষ্ঠীৰ সৰ্বপ্ৰাচীন সাহিত্য সংৰক্ষিত হৈ আছে।[১১] তদানীন্তন ভাৰতৰ গৱৰ্নৰ জেনেৰেল ৱাৰেন হেষ্টিংছে ভাৰতীয় সাহিত্যৰ পদ্ধতিগত আৰু বৈজ্ঞানিক অধয়য়ন আৰু গৱেষণাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এনে সময়তে কলিকতাত ছাৰ উইলিয়াম জোনছে এছিয়াটিক ছচাইটি প্ৰতিষ্ঠা কৰি এছিয়াৰ কলা, ইতিহাস, সংস্কৃতি, সাহিত্য আৰু বিজ্ঞানসমূহৰ বিষয়ে অধ্যয়নক লক্ষ্য হিচাপে গ্ৰহণ কৰে। এই সংস্থাৰ প্ৰতিষ্ঠাৰ সমসাময়িকভাৱে ৱাৰেণ হেষ্টিংচৰ প্ৰভাৱ আৰু প্ৰেৰণাতে চাৰ্লছ উইলকিন্সে *শ্ৰীমদ্ভগৱদ্গীতা* (১৭৮৫) আৰু *হিতোপদেশ* (১৭৮৭) ইংৰাজীলৈ অনুবাদ কৰে। ছাৰ উইলিয়াম জোনছে *অভিজ্ঞানম্ শকুন্তলম্* (১৭৮৯), *জয়দেৱৰ গীত - গোৱিন্দ* (১৭৯২) আৰু *মনুস্মৃতি* (১৭৯৪) আদিৰ দৰে কেবাখনো গুৰুত্বপূৰ্ণ সংস্কৃত গ্ৰন্থ ইংৰাজী ভাষালৈ দ্ৰুতগতিৰে অনুদিত হৈ প্ৰকাশিত হৈ ইউৰোপীয় বৌদ্ধিক মহলত ভাৰতীয় সভ্যতাৰ এক গুঢ়, ৰহস্যময় আৰু অত্যন্ত বিস্ময়কৰ ৰূপ উন্মোচিত কৰিছিল।[১২] ইণ্ডোলজিৰ প্ৰাৰম্ভিক স্তৰৰ অধ্যয়নত এই গ্ৰন্থকেইখনৰ ইংৰাজী অনুবাদে বিশেষ ভূমিকা পালন কৰিছিল।

খ্ৰীষ্টীয় ১৮০০ চনত লৰ্ড ৱেলেছ্লীৰ দ্বাৰা ফৰ্ট উইলিয়াম কলেজ প্ৰতিষ্ঠা কৰা হয়, এই উচ্চ শিক্ষানুষ্ঠানটি সংস্কৃত ভাষা-সাহিত্যৰ জ্ঞান প্ৰদানৰ বাবে বিশেষভাৱে পৰিচিত আছিল। উইলকিন্সে ১৮০৮ চনত এখন সংস্কৃত ব্যাকৰণ ইংৰাজীত প্ৰকাশ কৰি ইউৰোপীয় বিদ্বত মহলত সংস্কৃত ভাষাৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰে। ইউৰোপীয় পণ্ডিত হোৰাছ হেমান উইলচনে ১৮১৩ চনত কালিদাসৰ *মেঘদূত* আৰু *বিষ্ণুপুৰাণ* ইংৰাজী ভাষালৈ অনুবাদ কৰে। সংস্কৃতৰ পাণ্ডিত্য আৰু ইণ্ডোলজীৰ ক্ষেত্ৰত তেওঁৰ অমূল্য অৱদানক স্বীকৃতি দি অক্সফৰ্ড বিশ্ববিদ্যালয়ে তেওঁক Borden Chair of Sanskrit পদ প্ৰদান কৰে।

ব্ৰিটেইনত বৌদ্ধ দৰ্শন অধ্যয়নৰ প্ৰধান  ভাৰততত্ত্ববিদ হিচাপে থমাছ ৰাইছ ডেভিডছৰ এক বিশেষ গুৰুত্ব আছে। তেওঁ ‘পালি টেক্সট্ ছোচাইটী’ নামে এটি অনুষ্ঠান প্ৰতিষ্ঠা কৰি বৌদ্ধ ধৰ্ম আৰু দৰ্শনৰ প্ৰামাণিক গ্ৰন্থসমূহ সম্পাদনা আৰু অনুবাদ কৰে। এডৱাৰ্ড বাৰ্নেট টাইলৰ, আৰ্থাৰ বেৰিডেল কীথ, আৰ্ণল্ড টয়েনবি আদিয়ে উনবিংশ শতিকাৰ শেষভাগৰ পৰা কুৰি শতিকাৰ মাজভাগলৈ ভাৰতীয় সাহিত্য, দৰ্শন, ভক্তিতত্ত্ব, বাস্তু, জ্যোতিষ, স্থাপত্যবিজ্ঞান আদি বিভিন্ন ক্ষেত্ৰত অধ্যয়ন কৰি ইংৰাজী ভাষাত লেখা মেলা কৰি ভাৰততত্ত্বক ইউৰোপত জনপ্ৰিয় কৰি তুলিছিল।

জেমছ্ প্ৰিন্সেপ, আলেকজেণ্ডাৰ কানিংহাম,এডৱাৰ্ড ৰেলফাৰ, টি.এইছ হলেণ্ড, এ.এল. বাশাম আদি ভাৰততত্ত্ববিদে তেওঁলোকৰ অধ্যয়নক্ষেত্ৰ ভাৰতীয় ধৰ্ম, দৰ্শনৰ দিশত অগ্ৰসৰ নকৰি ভাৰতীয় লৌহবিদ্যা, ৰসবিদ্যা, ধাতুবিদ্যা,খনিজ, ৰং আদিৰ দিশত লৈ গৈছিল। ভাৰতীয় প্ৰত্নতত্ত্ব বিভাগৰ প্ৰতিষ্ঠাপক হিচাপে কানিংহামৰ অৱদান অনস্বীকাৰ্য।

অষ্টাদশ আৰু উনবিংশ শতিকাত ব্ৰিটিছ মিছনেৰী পণ্ডিত আৰু প্ৰশাসকসকলৰ দ্বাৰা মৌলিক গ্ৰন্থৰ প্ৰকাশ, প্ৰাচীন সংস্কৃত গ্ৰন্থসমূহৰ অনুবাদ আৰু সমীক্ষাৰ লগতে সহস্ৰাধিক সংস্কৃত পাণ্ডুলিপিৰ উদ্ধাৰে ইউৰোপীয় বিদ্বানসমাজত ভাৰতীয় প্ৰাচীন ঐতিহ্য, সাহিত্য, ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰ, প্ৰথা-পৰম্পৰাৰ প্ৰতি গভীৰ আগ্ৰহ আৰু কৌতুহলৰ সৃষ্টি কৰে। বৃটিছ পণ্ডিতৰ ভাৰতীয় নীতি-নিয়ম, ভূমি ব্যৱস্থা, ৰাজনীতি, বিজ্ঞান আৰু জাতিগত বৰ্গীকৰণ আদি বিষয়ৰ প্ৰতি ঢাল খাইছিল। এই বিবিধ পৰম্পৰাসমূহ মিলিয়েই ইউৰোপীয় ভাৰত অধ্যয়নক সমৃদ্ধ কৰি তুলিছে।

## জাৰ্মানীত ভাৰততত্ত্ব চৰ্চা

ভাৰততত্ত্বৰ ক্ষেত্ৰখনলৈ জাৰ্মানীৰ অৱদান বুলি ক'লেই প্ৰথমেই মেক্স মূলাৰ, উইণ্টাৰনিট্‌জ, এ. এ. মেকডোণাল্ড, পল ড্যুচন, ফ্ৰাঞ্জ বপ, ৰুডল্‌ফ ৰথ, ৱাল্টাৰ শ্চুব্ৰিং আৰু ৰুডল্‌ফ অট্টো আদিৰ নাম ল'ব লাগিব। মেক্স মূলাৰৰ অৱদান কেৱল সংস্কৃত পাঠ সম্পাদনাতেই সীমাৱদ্ধ নাছিল; তুলনামূলক ভাষাবিজ্ঞান, ধৰ্মতত্ত্ব আদিৰ বিশ্লেষণ তথাপশ্চিমীয়া বিদ্বৎ সমাজলৈ ভাৰতীয় বৌদ্ধিক পৰম্পৰাক সুসংগঠিতভাৱে পৰিচয় কৰোৱাৰ প্ৰচেষ্টাও তেওঁৰ অৱদানত সন্নিৱিষ্ট আছিল। প্ৰধানকৈ সায়নভাষ্য আৰু এক বিস্তৃত সমালোচনামূলক অধ্যয়নসহ ঋকবেদৰ ছটা সংস্কৰণৰ সম্পাদনা (১৮৪৯-১৮৭৪ খ্ৰীষ্টাব্দৰ ভিতৰত ) কৰি ইউৰোপত প্ৰথমবাৰৰ বাবে ঋকবেদৰ বিজ্ঞানসন্মত অধ্যয়ন উপলব্ধ কৰায় আৰু বৈদিক সাহিত্য অধ্যয়নৰ শক্তিশালী আধাৰ প্ৰতিষ্ঠা কৰে। *Sacred Books of  the East* নামৰ পঞ্চাশ খণ্ডৰ গ্ৰন্থমালাৰ মুখ্য সম্পাদকৰূপে মেক্সমূলাৰে ভাৰত, চীন, পাৰস্য আদি দেশৰ মুখ্য ধৰ্মীয় গ্ৰন্থসমূহৰ অনুবাদ কৰে। এই শৃংখলাত উপনিষদ, ধৰ্মসূত্ৰ, ধম্মপদ আৰু মনুস্মৃতি আদি ভাৰতীয় গ্ৰন্থ বিশ্বব্যাপী পাঠকৰ মাজলৈ যায় আৰু ইণ্ডোলজীক এক আন্তঃৰাষ্ট্ৰীয় বিদ্যাশাখাৰূপে প্ৰতিষ্ঠা কৰে। তুলনামূলক ভাষাবিজ্ঞানৰ ক্ষেত্ৰতো মেক্সমূলাৰ অগ্ৰণী পণ্ডিত আছিল। সংস্কৃত, গ্ৰীক, লেটিন আৰু অন্যান্য ইণ্ডো-ইউৰোপীয় ভাষাৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰি তেওঁ সংস্কৃত ভাষাক ইণ্ডো ইউৰোপীয় ভাষা পৰিয়াল অধ্যয়নৰ মূল সাধন বুলি অভিহিত কৰিছিল।[১৩] *A History of Ancient Sanskrit Literature* নামৰ গ্ৰন্থত বৈদিক যুগৰ সাহিত্য, ভাষা আৰু ঐতিহাসিক বিকাশৰ সমালোচনামূলক বিশ্লেষণ আগবঢ়োৱাৰ লগতে *The Six Systems of Indian Philosophy* নামৰ গ্ৰন্থত ভাৰতীয় দৰ্শনৰ ছয়টা প্ৰধান দৰ্শন-পদ্ধতিৰ ( ন্যায়, বৈশেষিক, সাংখ্য, যোগ, পূৰ্ব-মীমাংসা আৰু উত্তৰ-মীমাংসা) তাত্ত্বিক গঠন, মূল তত্ত্ব আৰু আন্তঃসম্পৰ্ক বিশ্লেষণ কৰিছিল।[১৪] প্ৰতিটো দৰ্শন পদ্ধতিৰ অধ্যয়নত মূল সংস্কৃত সূত্ৰগ্ৰন্থ আৰু প্ৰাচীন ভাষ্যসমূহৰ (ব্যাস, বাচস্পতি মিশ্ৰ, শংকৰাচাৰ্য আদি) ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰমাণতত্ত্ব (Pramana), তত্ত্ববিদ্যা (Ontology), জ্ঞানতত্ত্ব (Epistemology) আৰু মোক্ষধাৰণা (Soteriology)ৰ বিশ্লেষণ মেক্স মূলাৰৰ গ্ৰন্থখনত প্ৰাপ্ত হয়।[১৫]

মেক্স মূলাৰে তেওঁৰ *Lectures on the Science of Language* গ্ৰন্থত 'আৰ্য' (Aryan) শব্দটো ভাষাতাত্ত্বিক আধাৰত ব্যৱহাৰ কৰি ইণ্ডো ইউৰোপীয় ভাষা-পৰিয়ালৰ বিস্তৃত পৰ্যালোচনা কৰে। তেওঁ 'আৰ্য' শব্দটো জাতিগত ধাৰণা হিচাপে গ্ৰহণ নকৰি ভাষাগত ধাৰণা হিচাপে ব্যৱহাৰ কৰিছিল।[১৬] তেওঁৰ *Biographies of Words and the Home of the Aryas* বা *Chips From a German Workshop* আদি গ্ৰন্থতো 'আৰ্য' শব্দটো জাতিগত ধাৰণা হিচাপে ব্যৱহাৰ কৰা নাছিল। এই গ্ৰন্থসমূহত বৈদিক সাহিত্যৰ কাল নিৰ্ধাৰণ আৰু ভাষিক বিস্তাৰৰ আলোচনা থাকিলেও মূলাৰে 'আৰ্য আক্ৰমণ সিদ্ধান্ত'ৰ (Aryan Invasion Theory) পোষকতা কৰা নাই। জাৰ্মান পণ্ডিত খ্ৰীষ্টিয়ান লাচছেনে তেওঁৰ *Indische Alterthumskunde* (Eng. : *Indian Antiquities : Studies in Ancient Indian History and Culture*) নামৰ গ্ৰন্থত আৰ্যসকল ভাৰতৰ বাহিৰৰ পৰা অহা বুলি ব্যাখ্যা কৰি এই আগমনক সাংস্কৃতিক-ৰাজনৈতিক আধিপত্যৰ ৰূপত উপস্থাপন কৰে।[১৭] এয়ে প্ৰথম 'আৰ্য আক্ৰমণ সিদ্ধান্ত'ৰ আৰম্ভণি বুলিব পাৰি। আন এজন জাৰ্মান পণ্ডিত ৰুডল্‌ফ ৰন ৰথে তেওঁৰ *Zur Litteratur und Geschichte Des Veda* (Eng. : *On The Literature and History of The Vedas*) নামৰ গ্ৰন্থত বৈদিক আৰ্যসকল মধ্য এছিয়াৰ পৰা অহাৰ এক সিদ্ধান্ত আগবঢ়ায়।[১৮] এই ধাৰণাই 'আৰ্য আক্ৰমণ সিদ্ধান্ত'ক অধিক শক্তিশালী কৰি তোলে।এলব্ৰেশ্ট ৱেবাৰৰ *History of Indian Literature* নামৰ গ্ৰন্থত বৈদিক সাহিত্যত প্ৰাপ্ত আৰ্য-অনাৰ্যৰ সংঘৰ্ষৰ বিশ্লেষণ কৰি আৰ্য আগমনক সংঘাতমূলক আগমন হিচাপে ব্যাখ্যা কৰে।[১৯] স্কটলেণ্ডৰ নৃতত্ত্ববিদ মৰ্টিমাৰ হুইলাৰে তেওঁৰ *Harappa and The Indus Civilization* নামৰ গ্ৰন্থত আৰ্যসকলক সিন্ধু সভ্যতা ধ্বংসকাৰী প্ৰচণ্ড আক্ৰমণকাৰী হিচাপে চিত্ৰিত কৰি 'আৰ্য আক্ৰমণ সিদ্ধান্ত'ক পূৰ্ণাংগ ৰূপ দি সমগ্ৰ বিশ্বতে জনপ্ৰিয় কৰি তোলে।[২০] এই ধাৰণাকেই কেবাদশক ধৰি ভাৰতীয় আৰু ইউৰোপীয় বিদ্যায়তনিক ক্ষেত্ৰত গ্ৰহণ কৰি থকা হৈছিল।[২১]

উনবিংশ শতিকাৰ শেষ ভাগত ভাৰতীয় ধৰ্ম আৰু দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ জাৰ্মান পণ্ডিত ৰুডল্‌ফ অট্টোৱে ভাৰতীয় ব্ৰাহ্মণ গ্ৰন্থ, উপনিষদ আদি অধ্যয়নত মনোনিৱেশ কৰে। কুৰি শতিকাৰ আৰম্ভণিতে ভাৰত ভ্ৰমণলৈ অহা অট্টো পৰম্পৰাগত অৰ্থত সংস্কৃত পাঠ সম্পাদনকাৰী ভাৰততত্ত্ববিদ নাছিল; ইয়াৰ বিপৰীতে তেওঁ ধৰ্মতত্ত্বীয় আৰু তুলনামূলক দাৰ্শনিক বিশ্লেষণ কৰি ভাৰতীয় ধৰ্ম আৰু দৰ্শনৰ ব্যাখ্যাগত ধাৰাক মৌলিকভাৱে উপস্থাপন কৰে। বিশেষকৈ উপনিষদীয় ব্ৰহ্মতত্ত্ব, ভাগৱতীয় কৃষ্ণতত্ত্ব বুজিব পৰাকৈ অট্টোৱে এক নতুন Phenomenological (পৰিঘটন বিষয়ক) দৃষ্টিভংগী সংযোজন কৰে। ভাৰততত্ত্বলৈ অট্টোৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ অৱদান হৈছে 'Numinous'ধাৰণাৰ প্ৰৱৰ্তন।[২২] *The Idea Of The Holy* গ্ৰন্থত 'The Numinous' শব্দৰে ঈশ্বৰৰ প্ৰতি তিনিটা অৱধাৰণা দিছে । Mysterium (ৰহস্যাত্মকতা), Tremendum (পৱিত্ৰ ভয় তথা বিস্ময়) আৰু Fascinans (আকৰ্ষণ আৰু মোহ) অৰ্থাৎ ঈশ্বৰ অদ্ভুত, ৰহস্যময়, যাৰ প্ৰতি সাধাৰণ ভয় নহয়,এক পৱিত্ৰ ভয়ে ক্ৰিয়া কৰে; যাৰ প্ৰতি অলৌকিক আকৰ্ষণ-মোহ জন্ম হয়। অট্টোৱে এই ধাৰণাৰে উপনিষদীয় ব্ৰহ্মধাৰণা, ভক্তিসাহিত্যৰ কৃষ্ণতত্ত্ব, খ্ৰীষ্টতত্ত্ব, বৌদ্ধ নিৰ্বাণতত্ত্ব আদিৰ মাজত তুলনামূলক ধৰ্মতত্ত্বৰ ব্যাখ্যা কৰিছে। ব্ৰহ্ম অৱৰ্ণনীয়, ব্ৰহ্ম পৰম ৰহস্যময়, আনহাতে ভগৱদ্‌গীতাৰ বিশ্বৰূপ দৰ্শনত অৰ্জুনৰ ভয় তথা বিস্ময় আকৌ কৃষ্ণৰ প্ৰতি গোপী বা ভক্তজনৰ অলৌকিক আকৰ্ষণ এই আটাইকেইটি দিশেই অট্টোৱে 'Numinous'ৰ ধাৰণাৰে পৰ্যবেক্ষণ কৰিছিল।

ভাৰততত্ত্বৰ ক্ষেত্ৰত অট্টোৰ আন এক গুৰুত্বপূৰ্ণ তাত্ত্বিক-দাৰ্শনিক অৱদান হৈছে উপনিষদ আৰু বেদান্ত দৰ্শনৰ পুনৰ্মূল্যায়ন। তেওঁ কয় যে উপনিষদীয় দৰ্শনক কেৱল যুক্তিৰে সম্পূৰ্ণকৈ বুজা নাযায়, অথচ এই দৰ্শন অযুক্তিকৰো নহয়। ঔপনিবেশিক ব্ৰিটিছ ভাৰততত্ত্ববিদসকলৰ বেছিভাগেই উপনিষদক Speculative Mysticism বা Primitive Metaphysics বুলি ভাবিছিল। অৰ্থাৎ তেওঁলোকে উপনিষদক অসম্পূৰ্ণ বা আদি স্তৰৰ দৰ্শন বুলি গণ্য কৰিছিল। কিন্তু অট্টোৱে উপনিষদ আৰু বেদান্ত দৰ্শনৰ পুনৰ্মূল্যায়ন কৰি ঔপনিবেশিক ভাৰততত্ত্ববিদৰ ধাৰণাক নস্যাৎ কৰিছিল। তেওঁৰ

যুক্তি অনুসৰি উপনিষদীয় জ্ঞান হৈছে ‘Supra-Rational knowledge’ অর্থাৎ ডপনিষদীয় জ্ঞান যুক্তিৰ ওপৰত অৱস্থিত, ই যুক্তিৰ সীমা অতিক্ৰম কৰিব পাৰে কিন্তু যুক্তিক নস্যাৎ নকৰে।[২৩] অট্টোৱে বুজাব বিচাৰে যে উপনিষদ আৰু বেদান্ত দৰ্শন একে সময়তে গভীৰ, সুসংহত আৰু উচ্চস্তৰৰ দৰ্শন।

ভাৰততত্ত্বৰ ক্ষেত্ৰখনত অৱদান আগবঢ়োৱা আন এজন জাৰ্মান পণ্ডিত হৈছে ম'ৰিছ উইণ্টাৰনিট্জ। যি সময়ত ভাৰততত্ত্বৰ অধ্যয়ন মূলতঃ ভাষাতাত্ত্বিক আৰু পাঠসংগ্ৰহমূলক আছিল, সেই সীমাবদ্ধতা অতিক্ৰম কৰি উইণ্টাৰনিট্জে সাহিত্য, ধৰ্ম আৰু দৰ্শনৰ আন্তঃসম্পৰ্কক ঐতিহাসিক প্ৰেক্ষাপটত বিশ্লেষণ কৰি ভাৰততত্ত্বক এক আন্তঃশাস্ত্ৰীয় বিদ্যাশাখালৈ উন্নীত কৰে। তেওঁৰ এক গুৰুত্বপূৰ্ণ অৱদান হ'ল ভাৰতীয় সাহিত্যৰ সামগ্ৰিক আৰু কালানুক্ৰমভিত্তিক ইতিহাস ৰচনা। তেওঁ বৈদিক সাহিত্য, ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ পৰম্পৰা, মহাকাব্য, পুৰাণ, বৌদ্ধ আৰু জৈন সাহিত্যক একেটা বিস্তৃত ঐতিহাসিক পৰিমণ্ডলত সংযোজন কৰাৰ ভাৰতীয় সাহিত্যৰ ধাৰাবাহিকতা আৰু আভ্যন্তৰীণ বিকাশ স্পষ্ট হৈ উঠে।[২৪] উইণ্টাৰনিট্জে ঋকবেদসহ কেবাখনো বৈদিক সাহিত্যৰ বিশ্লেষণ কৰি বৈদিক যুগৰ ধৰ্মীয় আচাৰ, সামাজিক গঠন আৰু দাৰ্শনিক চিন্তাৰ বিকাশক সাহিত্যিক সাক্ষৰ আধাৰত ব্যাখ্যা কৰে। তেওঁ মহাভাৰত আৰু ৰামায়ণক ভাৰতীয় সমাজ-সংস্কৃতিৰ প্ৰতিফলন হিচাপে গ্ৰহণ কৰি আলোচনা কৰে। এই মহাকাব্যসমূহৰ বহুস্তৰীয় ৰচনাপ্ৰক্ৰিয়া আৰু কালানুক্ৰমিক বিকাশ বিশ্লেষণ কৰে। এই সাহিত্যৰাজিৰ উপৰিও তেওঁ বৌদ্ধ আৰু জৈন সাহিত্যও অধ্যয়ন কৰিছিল।

জাৰ্মানীত ইণ্ডোলজীৰ ধৰণ সংস্কৃত ভাষা, বৈদিক সাহিত্য আৰু দৰ্শনকেন্দ্ৰীক। তাত ভাৰতীয় গ্ৰন্থসমূহৰ সূক্ষ্ম পাঠ সমালোচনা, ধাতু বিশ্লেষণ, পাণ্ডুলিপি তুলনা আৰু ব্যাকৰণিক পুনৰ্নিৰ্মাণ আদিৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। ভাৰতীয় ভাষা-সাহিত্য, সংস্কৃতি অধ্যয়নত গুৰত্বপূৰ্ণ ভূমিকা আগবঢ়োৱাত ইউৰোপীয় দেশসমূহৰ ভিতৰত জাৰ্মানী অন্যতম। জাৰ্মানীত বন, টিউবিংগেন, মিউনিখ, গটিংগেন, মাৰবাৰ্গ আৰু হামবাৰ্গ আদি প্ৰায় ছখন বিশ্ববিদ্যালয়ত সংস্কৃত বিষয়ৰ অধ্যাপক পদ আছে আৰু প্ৰায় আটাইকেইখনতে সংস্কৃত অধ্যয়নৰ পৃথকে বিভাগ পৰ্যন্তও আছে।

### অন্য ইউৰোপীয় দেশত ভাৰততত্ত্ব চৰ্চা

ব্ৰিটেইন আৰু জাৰ্মানীৰ লগতে ভাৰততত্ত্ব অধ্যয়নত ফ্ৰান্স, ৰাছিয়া, ইটালী, অষ্ট্ৰিয়া, আৰু ৰোমানিয়াই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অষ্টাদশ শতিকাৰ শেষৰফালে ফ্ৰান্সত প্ৰাচ্যবিদ্যাৰ প্ৰতি আগ্ৰহ বৃদ্ধি পায় আৰু সংস্কৃত ভাষা তথা ভাৰতীয় দৰ্শনৰ অধ্যয়ন এক শৈক্ষিক বিষয় হিচাপে প্ৰতিষ্ঠিত হয়। ফৰাচী ভাৰততত্ত্বৰ অগ্ৰদূত আছিল আঁকেটিল দ্যুপেৰ'ন। তেওঁ প্ৰথমবাৰৰ বাবে উপনিষদসমূহ (দাৰা শিকোহে কৰা পাৰ্চী অনুবাদৰ আধাৰত) লেটিন ভাষালৈ অনুবাদ কৰি পশ্চিমীয়া বিশ্বত ভাৰতীয় চিন্তন-মননৰ প্ৰতি গভীৰ আগ্ৰহ সৃষ্টি কৰে।[২৫] উনবিংশ আৰু বিংশ শতিকাত ছিলভাঁ লেভি আৰু লুই ৰেন'ৰ দৰে পণ্ডিতে ফৰাছী ভাৰততত্ত্বক নতুন মাত্ৰা প্ৰদান কৰে। লেভিয়ে বৌদ্ধ ধৰ্ম, সংস্কৃত নাট্যসাহিত্য আৰু ভাৰতীয় ইতিহাসৰ ওপৰত গুৰুত্বপূৰ্ণ গৱেষণা আগবঢ়ায়। আনহাতে ৰেন'ৰে বৈদিক মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক, ব্যাকৰণ, ছন্দ, নিৰুক্ত আদিৰ সূক্ষ্ম পাঠসমালোচনামূলক বিশ্লেষণ আগবঢ়ায়।[২৬]

তন্ত্ৰসাহিত্য আৰু তান্ত্ৰিক সাধন প্ৰক্ৰিয়াৰ অধ্যয়নৰ মাজেৰে ফ্ৰান্সত ভাৰততত্ত্ব অধ্যয়নৰ নতুন ধাৰাৰ প্ৰবাহ ঘটে। আৰম্ভণিতে ফৰাচী পণ্ডিতসকলে তন্ত্ৰক হিন্দু আৰু বৌদ্ধ ধৰ্মৰ এক প্ৰান্তীয় ধাৰা হিচাপে বিবেচনা কৰিছিল। লাহে লাহে তন্ত্ৰসমূহৰ সম্পাদনা আৰু দাৰ্শনিক বিশ্লেষণে এই ধাৰাৰ গভীৰ তাৎপৰ্য উন্মোচন কৰে। এন্দ্ৰে' পাদৌক্স ভাৰতীয় শৈৱ আৰু শাক্ত তন্ত্ৰ সাহিত্য আৰু সাধন প্ৰক্ৰিয়াৰ ওপৰত কৰা গৱেষনাৰ জৰিয়তে তন্ত্ৰ অধ্যয়নৰ বৌদ্ধিক ধাৰাই ফ্ৰান্সত খোপনি পোতে। তেওঁ তন্ত্ৰক কেৱল গূঢ় সাধনা বা যৌনাচাৰমূলক পদ্ধতি হিচাপে নহয়, বৰঞ্চ এক সুসংগঠিত দাৰ্শনিক আৰু ধৰ্মীয় প্ৰণালী হিচাপে ব্যাখ্যা কৰে।[২৭] তেওঁৰ *Vac : The Concept of the Word in selected Hindu Tantras* আৰু *Tantric Mantras* আদি গ্ৰন্থত তন্ত্ৰৰ ভাষা, শব্দ (শব্দ-ব্ৰহ্ম) আৰু মন্ত্ৰৰ দাৰ্শনিক তাৎপৰ্য আদি সম্পৰ্কে

ব্যাখ্যা আগবঢ়ায়। এই গ্ৰন্থদুখনৰ প্ৰভাৱতে পাশ্চাত্যত তন্ত্ৰ অধ্যয়নে এক অধিক বৈজ্ঞানিক আৰু গম্ভীৰ বিষয় হিচাপে স্বীকৃতি লাভ কৰে। এইখিনি সময়তে কলেজ দ্য ফ্ৰান্স আৰু পেৰিছ বিশ্ববিদ্যালয় ভাৰততত্ত্ব অধ্যয়নৰ মুখ্যকেন্দ্ৰ হিচাপে বিকশিত হয়। মাডেলেইন বায়াৰদিঅ'ই হিন্দু ধৰ্মৰ শাক্ত পৰম্পৰাৰ অধ্যয়নৰ জৰিয়তে তন্ত্ৰৰ সামাজিক আৰু ধৰ্মীয় পটভূমি সম্পৰ্কে অধ্যয়ন কৰাৰ লগতে মহাভাৰত আৰু মধ্যযুগীয় ভক্তিধাৰা সম্পৰ্কে অধ্যয়ন কৰি ফ্ৰান্সত ভাৰততত্ত্বৰ আধাৰ শক্তিশালী কৰি তোলে।[২৮] বৌদ্ধ তন্ত্ৰৰ দাৰ্শনিক আৰু সাধনমূলক দিশৰ অধ্যয়নত পেৰিছৰ প্ৰাচ্য অধ্যয়ন প্ৰতিষ্ঠানসমূহে গুৰুত্বপূৰ্ন ভূমিকা পালন কৰে। বৌদ্ধ তন্ত্ৰ অধ্যয়নৰ জৰিয়তে ফ্ৰান্সত তন্ত্ৰক কেৱল ভাৰতীয় ধৰ্মৰ অন্তৰ্গত বিষয় নহয়, বৰঞ্চ সমগ্ৰ এছিয়াতে বিস্তৃত এক আন্তঃসাংস্কৃতিক ধৰ্মীয় ধাৰা হিচাপে বুজাৰ প্ৰয়াস কৰা হয়।

উনবিংশ শতিকাৰ আৰম্ভণিৰ পৰাই ৰাছিয়াই ভাৰততত্ত্ব অধ্যয়নত মনোনিৱেশ কৰা দেখা যায়। বিশেষকৈ ৰাছিয়াত সংস্কৃত ভাষা, ভাৰতীয় ইতিহাস, বৌদ্ধ ধৰ্ম আৰু পালি সাহিত্যৰ ওপৰত গভীৰ অধ্যয়ন উনবিংশ শতিকাতে আৰম্ভ হয়। ৰাছিয়াৰ ভাৰততত্ত্বৰ অন্যতম পণ্ডিত আছিল অটো ৱন ৰস্তলিংক। তেওঁ পাণিনিৰ ব্যাকৰণৰ অনুবাদ তথা আলোচনা কৰাৰ লগতে নিজাকৈ ৰুছ ভাষাত সংস্কৃত ব্যাকৰণ আৰু শব্দকোষ ৰচনা কৰিছিল।[২৯] তদুপৰি ইভান পাভলোভিচ মিনায়েভে বৌদ্ধ ধৰ্ম আৰু পালি সাহিত্যৰ অধ্যয়ন কৰি বৌদ্ধ সাহিত্যক ঐতিহাসিক আৰু সমালোচনামূলক দৃষ্টিভংগীৰে বিশ্লেষণ কৰি ইউৰোপত বৌদ্ধ অধ্যয়নৰ নতুন দিশ উন্মোচন কৰে।[৩০] ছাৰ্গে ওল্ডেনবাৰ্গে বৌদ্ধ কিম্বদন্তি, জাতকমালা আদিৰ অনুবাদৰ লগতে সংস্কৃত পাণ্ডুলিপি অধ্যয়ন কৰি ৰুছ ভাষাত কেইটামান প্ৰবন্ধ ৰচনা কৰিছিল। বিশেষকৈ মধ্য এছিয়া আৰু ভাৰতীয় বৌদ্ধ পাণ্ডুলিপি সংৰক্ষণ আৰু অনুবাদত তেওঁৰ ভূমিকা লেখত ল'বলগীয়া।[৩১] ফ্যডৰ ইপ্পলিট'ভিচ শচাৰবাটস্কয়ে কুৰি শতিকাৰ প্ৰথম দশকৰ ৰুছ ভাৰততত্ত্ববিদ হিচাপে পৰিচিত হয়। তেওঁ বৌদ্ধ দৰ্শন, বৌদ্ধ তৰ্কশাস্ত্ৰ আদি অধ্যয়ন কৰি বৌদ্ধ অধ্যয়ন প্ৰক্ৰিয়াক আগবঢ়াই নিয়ে।[৩২]এইসকলৰ উপৰিও পিয়াতিগৰস্কি, বঙ্গাৰ্ড লেভিন আদিয়ে বৌদ্ধ দৰ্শন, বেদবিদ্যা, সমাজব্যৱস্থা, ভাৰতীয় নাট্য আৰু নৃত্য কলাৰ লগতে প্ৰাচীন ভাৰতৰ চিত্ৰকলা আদি বিষয়ত অধ্যয়ন কৰি ভাৰততত্ত্বৰ নতুন নতুন ধাৰাৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উন্মোচন কৰে।

ৰাছিয়াত১৮১৮ চনত এছিয়াটিক সংগ্ৰহালয় প্ৰতিষ্ঠা হয় আৰু কালক্ৰমত এই অনুষ্ঠানেই সংস্কৃত ভাষা, ভাৰতীয় সাহিত্য, বৌদ্ধ আৰু পালি অধ্যয়ন আৰু গৱেষণাৰ প্ৰথম প্ৰতিষ্ঠান হিচাপে গণ্য হয়।[৩৩] চেণ্ট পিটাৰ্সবাৰ্গ আৰু মস্কোৰ বিশ্ববিদ্যালয়সমূহ তথা ৰাছিয়ান একাডেমী অৱ চায়েন্সেছত ভাৰততত্ত্ব অধ্যয়নৰ বাবে সুকীয়া বিভাগ প্ৰতিষ্ঠা (১৮১৮-১৮১৯) আৰু ভাৰততত্ত্বৰ অধ্যয়নত নতুন মাত্ৰা সংযোগ কৰে।

ভাৰততত্ত্ব অধ্যয়নত অষ্ট্ৰিয়াৰ অৱদান তুলনামূলকভাৱে সীমিত যদিও গুণগত দৃষ্টিত ই অত্যন্ত গুৰুত্বপূৰ্ণ। উনবিংশ শতিকাত অষ্ট্ৰিয়াত বিকশিত সংস্কৃত অধ্যয়ন, ধৰ্মশাস্ত্ৰ, লিপিবিজ্ঞান আৰু পাণ্ডুলিপি গৱেষণাই আধুনিক ভাৰততত্ত্বৰ বৈজ্ঞানিক ভেটি সুদৃঢ় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অষ্ট্ৰিয়ান পণ্ডিতসকলে বিশেষকৈ পাঠসমালোচনা (Textual criticism) আৰু ঐতিহাসিক-পদ্ধতিগত গৱেষণাত অধিক গুৰুত্ব দিয়া দেখা যায়। ইউৰোপত তুলনামূলক ভাষাবিজ্ঞান আৰু প্ৰাচ্যবিদ্যাৰ বিকাশৰ সমান্তৰালভাৱে অষ্ট্ৰিয়াতো সংস্কৃত ভাষা আৰু ভাৰতীয় সাহিত্য অধ্যয়নৰ প্ৰৱণতা বৃদ্ধি পায়। ভিয়েনা বিশ্ববিদ্যালয়ে এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ় লৈ উঠে। অষ্ট্ৰিয়ান ভাৰততত্ত্বৰ মূল বৈশিষ্ট্য হৈছে – কঠোৰ ভাষাতাত্ত্বিক শুদ্ধতা, পাঠভিত্তিক গৱেষণা আৰু মূল ভাৰতীয় উৎসসমূহৰ প্ৰত্যক্ষ অধ্যয়ন। উনবিংশ শতিকাৰ জৰ্জ বুহলাৰ হৈছে অষ্ট্ৰিয়ান ভাৰততত্ত্বৰ অন্যতম গৱেষক। তেওঁ সংস্কৃত ভাষা, ধৰ্মশাস্ত্ৰ, লিপিবিজ্ঞান আদি অধ্যয়ন কৰি মৌলিক অৱদান আগবঢ়াই যায়। বুহলাৰে মনুস্মৃতিৰ সমালোচনামূলক অধ্যয়ন কৰি *The Laws of Manu* নামৰ গ্ৰন্থ ৰচনা কৰে। এই গ্ৰন্থত ভাৰতীয় আইন চিন্তাৰ বৈজ্ঞানিক বিশ্লেষণ কৰি ইউৰোপত জনপ্ৰিয়তা অৰ্জন কৰে। প্ৰাচীন ভাৰতীয় সমাজব্যৱস্থা আৰু নৈতিক ধাৰণাসমূহ বুজিবলৈ ইউৰোপীয় বিদ্বতসমাজক এই গ্ৰন্থখনে এক নিৰ্ভৰযোগ্য আধাৰ প্ৰদান কৰিলে। বুহলাৰে ভাৰতীয় ব্ৰাহ্মী আৰু খৰোষ্ঠী লিপিৰ বিকাশ, কাল নিৰ্ধাণ আৰু ৰূপান্তৰ

প্ৰক্ৰিয়া বিশ্লেষণ কৰে।[৩৪] তেওঁৰ *Indian Paleography* নামৰ গ্ৰন্থখন আজিও ভাৰতীয় লিপিবিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সমল। ঔপনিৱেশিক কালত ভাৰতত কৰ্মৰত হৈ থাকোঁতে তেওঁ বহুতো সংস্কৃত পাণ্ডুলিপি সংগ্ৰহ, তালিকাভুক্তি আৰু সম্পাদনা কৰে।

ভাৰততত্ত্ব অধ্যয়নত ৰোমানিয়াৰ অৱদানো তুলনামূলকভাৱে কম আৰু আধুনিক যদিও এই অধ্যয়নৰ বৌদ্ধিক গুৰুত্ব আছে। ৰোমানিয়াৰ পণ্ডিতসকলে মূলতঃ ভাৰতীয় ধৰ্ম, দৰ্শন আৰু তুলনামূলক ধৰ্মতত্ত্বৰ ক্ষেত্ৰত গভীৰ অধ্যয়ন কৰা দেখা যায়। মিৰ্চা এলিয়াড ৰোমানীয়ান ভাৰততত্ত্বৰ এজন লেখত ল'বলগীয়া এজন পণ্ডিত। তেওঁ যোগদৰ্শন, পুৰাকথা, প্ৰতীকতত্ব আৰু ধৰ্মীয় অভিজ্ঞতাৰ অধ্যয়নৰ জৰিয়তে ভাৰতীয় চিন্তাধাৰাক বিশ্বব্যাপী বৌদ্ধিক পৰিসৰত প্ৰতিষ্ঠা কৰে। তেওঁৰ 'Hierophany Theory' এক অত্যন্ত প্ৰভাৱশালী তত্ত্ব।[৩৫] তেওঁ পৱিত্ৰ শক্তিৰ প্ৰকাশ বা উদ্ভৱ বা অনুভৱক এই তত্ত্বৰে সূচাইছে। গংগা নদীৰ পৱিত্ৰতা, শালগ্ৰাম বা শিৱলিংগত ঈশ্বৰৰ উপস্থিতিৰ অনুভৱ, ধ্যানৰ সময়ত হোৱা গভীৰ আধ্যাত্মিক অভিজ্ঞতা আদিক তেওঁ এই তত্ত্বৰ মাজেৰে আলোচনা কৰিছে।

ইউৰোপত ইণ্ডোলজীৰ বিকাশ বিশ্বব্যাপী জ্ঞান-উৎপাদনৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ আৰু জটিল অধ্যায় হিচাপে বিবেচিত। ওঠৰশ শতিকাৰ শেষভাগত আৰু উনৈশ শতিকাত আৰম্ভ হোৱা এই অধ্যয়নে সময়ৰ সৈতে ভাৰতীয় ভাষা, শাস্ত্ৰ, দৰ্শন, ধৰ্ম, ইতিহাস আৰু সাংস্কৃতিক পৰম্পৰাৰ গভীৰ অধ্যয়নৰ ৰূপ লৈছিল। আৰম্ভণিতে সংস্কৃত ভাষা আৰু প্ৰাচীন ভাৰতীয় সাহিত্যৰ প্ৰতি থকা ভাষাবৈজ্ঞানিক আৰু পাঠসমালোচনামূলক আগ্ৰহ ধীৰে ধীৰে এক বিস্তৃত আৰু আন্তঃবিষয়ক অধ্যয়নক্ষেত্ৰত পৰিণত হয়, যাৰ জৰিয়তে ভাৰতক এক গভীৰ ঐতিহাসিক ধাৰাবাহিকতা আৰু উচ্চ বৌদ্ধিক পৰম্পৰাযুক্ত সভ্যতা হিচাপে বুজিবলৈ চেষ্টা কৰা হৈছিল।

**উপসংহাৰ**

ইউৰোপত ভাৰততত্ত্ব অধ্যয়নে কেৱল এটা শাস্ত্ৰীয় অনুশীলনেই নহয়, বৰঞ্চ ভাৰতীয় সভ্যতা, ভাষা, সাহিত্য, ধৰ্ম, দৰ্শন আৰু সমাজ-সংস্কৃতিক এক গুৰুত্বপূৰ্ণ বিশ্বজনীন বৌদ্ধিক প্ৰক্ৰিয়া হিচাপে আত্মপ্ৰকাশ কৰে। আগষ্ট উইলহেল্ম ভন শ্লেগেল, ফ্ৰিড্ৰিখ শ্লেগেল আদি ইউৰোপীয় পণ্ডিতসকলৰ হাতত ভাৰতীয় ভাষা-সাহিত্যৰ বৈজ্ঞানিক অধ্যয়ন আৰম্ভ হোৱাৰ লগে লগে সংস্কৃত ভাষা, বেদ, উপনিষদ, মহাকাব্য, দৰ্শন আৰু ভাৰতীয় ইতিহাস ইউৰোপীয় একাডেমিক পৰিসৰত এক সন্মানজনক স্থান লাভ কৰে। এই অধ্যয়নে ভাৰতক কেৱল 'ৰহস্যময় পূৰ্ব' হিচাপে চাবলৈ সীমাবদ্ধ নৰাখি, ইয়াক এক গভীৰ, যুক্তিসম্পন্ন আৰু ঐতিহাসিকভাৱে সমৃদ্ধ সভ্যতা হিচাপে পুনৰ মূল্যায়ন কৰিবলৈ সহায় কৰে।ভাৰততত্ত্বৰ পদ্ধতিগত বিকাশত পাঠ্যসমালোচনা, ভাষাবৈজ্ঞানিক বিশ্লেষণ, ঐতিহাসিক-সাংস্কৃতিক অধ্যয়ন, নৃতত্ত্ব আৰু দৰ্শনীয় ব্যাখ্যাৰ সমন্বয় লক্ষ্য কৰা যায়। ইয়াৰ ফলস্বৰূপে ভাৰতীয় জ্ঞান-পৰম্পৰাক 'Object of Knowledge' হিচাপে বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰাৰ এক নতুন ধাৰা গঢ় লৈ উঠে। যদিও ঔপনিবেশিক দৃষ্টিভংগী আৰু ইউৰোপকেন্দ্ৰীক ব্যাখ্যাই কিছু ক্ষেত্ৰত সীমাবদ্ধতাৰ সৃষ্টি কৰিছিল, তথাপিও ভাৰততত্ত্বই ভাৰতীয় জ্ঞান-ঐতিহ্য সংৰক্ষণ, পুনৰাৱিষ্কাৰ আৰু আধুনিক ব্যাখ্যাৰ বাবে এক শক্তিশালী বৌদ্ধিক ভিত্তি প্ৰদান কৰে। এই অধ্যয়নে ভাৰতীয় সমাজ-সংস্কৃতিৰ বহুমাত্ৰিক স্বৰূপ উন্মোচন কৰি বিশ্ব সভ্যতাৰ ইতিহাসত ইয়াৰ স্থান সুদৃঢ় কৰে। সামগ্ৰিকভাৱে ক'বলৈ গ'লে, ইউৰোপত ভাৰততত্ত্ব অধ্যয়নৰ ধাৰাই ভাৰতীয় আত্মবোধ গঢ়ি তোলাতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ই ভাৰতীয় পণ্ডিতসকলকো নিজৰ ঐতিহ্য নতুন দৃষ্টিকোণৰ পৰা পুনৰ্বিবেচনা কৰিবলৈ প্ৰেৰণা যোগাইছে। আধুনিক সময়ত আন্তঃবিষয়ক আৰু সমালোচনামূলক পদ্ধতিৰ সংযোজনৰ জৰিয়তে ভাৰততত্ত্বই কেৱল অতীতৰ অধ্যয়নতেই সীমাবদ্ধ নথাকি বৰ্তমান আৰু ভৱিষ্যতৰ বৌদ্ধিক সংলাপৰ এক জীৱন্ত ক্ষেত্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। সেয়ে, ভাৰততত্ত্ব

অধ্যয়নক ভাৰতীয় আৰু বিশ্ব জ্ঞান-পৰম্পৰাক সংযোগ কৰা এক সেতু হিচাপে গণ্য কৰিব পাৰি, যি মানৱ সভ্যতাৰ সামগ্ৰিক বৌদ্ধিক বিকাশত এক স্থায়ী অৱদান আগবঢ়াইছে।

ইউৰোপীয় ইণ্ডোলজীৰ প্ৰাথমিক পৰ্যায়ত ভাষাবিজ্ঞান আৰু পাঠভিত্তিক অধ্যয়নেই মুখ্য ভূমিকা পালন কৰিছিল। সংস্কৃত ভাষাৰ আবিষ্কাৰ আৰু গ্ৰীক, লেটিন আদি ইউৰোপীয় ভাষাৰ সৈতে ইয়াৰ গঠনগত সাদৃশ্যই তুলনামূলক ভাষাবিজ্ঞানৰ বিকাশত এক বৈপ্লৱিক পৰিবৰ্তন আনে আৰু ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়ালৰ ধাৰণাৰ জন্ম দিয়ে। ইউৰোপীয় পণ্ডিতসকলে বেদ, উপনিষদ, মহাকাব্য, ধৰ্মশাস্ত্ৰ আৰু দাৰ্শনিক গ্ৰন্থসমূহৰ সমালোচনামূলক সম্পাদনা, অনুবাদ আৰু ব্যাখ্যাৰ জৰিয়তে ভাৰতীয় শাস্ত্ৰীয় ঐতিহ্যক বিশ্বৰ শিক্ষাজগতৰ ওচৰলৈ লৈ আহে। এইদৰে ইউৰোপীয় ইণ্ডোলজীয়ে ভাৰতীয় পাঠ্য-পৰম্পৰা সংৰক্ষণ, শ্ৰেণীবিভাজন আৰু বৈজ্ঞানিক অধ্যয়নৰ ক্ষেত্ৰত এক স্থায়ী অৱদান আগবঢ়াইছে। তথাপি, ইউৰোপত ইণ্ডোলজীৰ এই বৌদ্ধিক সাফল্যসমূহ তাৰ ঐতিহাসিক আৰু ৰাজনৈতিক প্ৰেক্ষাপটৰ পৰা সম্পূৰ্ণৰূপে পৃথক কৰি চাব নোৱাৰি। প্ৰাৰম্ভিক ইণ্ডোলজী অধ্যয়নৰ বৃহৎ অংশ উপনিবেশিক পৰিৱেশৰ ভিতৰত গঢ় লৈ উঠিছিল, য'ত ভাৰত-সম্পৰ্কীয় জ্ঞান বহু সময়ত প্ৰশাসনিক, আদৰ্শগত বা ইউৰোপীয় দৃষ্টিভংগীৰ আধিপত্যশীল ধাৰণাৰ সৈতে সংযুক্ত আছিল। ইয়াৰ ফলস্বৰূপে ভাৰতীয় পৰম্পৰাৰ একাংশ পাঠভিত্তিক আৰু প্ৰাচীন দিশক অধিক গুৰুত্ব দিয়া হৈছিল, লোকাচাৰ আৰু সমসাময়িক বাস্তৱতাক অৱহেলা কৰা হৈছিল। ইউৰোপীয় দৃষ্টিভংগীৰে ভাৰতীয় চিন্তাধাৰাক ব্যাখ্যা কৰাৰ প্ৰৱণতাই কিছুমান ক্ষেত্ৰত ভ্ৰান্তি, স্তৰবিভাজন আৰু নীৰৱতা সৃষ্টি কৰিছিল, যাক পৰৱৰ্তী গৱেষণাই সমালোচনামূলকভাৱে পুনৰ পৰ্যালোচনা কৰিবলগীয়া হৈছে। উপনিবেশোত্তৰ আৰু আধুনিক পৰ্যায়ত ইউৰোপীয় ইণ্ডোলজীয়ে গুৰুত্বপূৰ্ণ তাত্ত্বিক আৰু পদ্ধতিগত পৰিবৰ্তনৰ সন্মুখীন হৈছে। আধুনিক পণ্ডিতসকলে পূৰ্বৱৰ্তী অধ্যয়নৰ সীমাবদ্ধতা স্বীকাৰ কৰি সংকীৰ্ণ পাঠকেন্দ্ৰিক ধাৰণাৰ পৰা আগবাঢ়িবলৈ চেষ্টা কৰিছে। নৃতত্ত্ব, সমাজবিজ্ঞান, বৌদ্ধিক ইতিহাস, লিংগ অধ্যয়ন, অভিনয় আৰু বস্তুগত সংস্কৃতি আদি বিষয়সমূহ সংযোজিত হোৱাৰ ফলত ইণ্ডোলজী অধিক বহুমাত্ৰিক আৰু বাস্তৱমুখী হৈ উঠিছে।

**ভৱিষ্যত অধ্যয়নৰ সম্ভাৱনা**

ইউৰোপত ভাৰততত্ত্ব অধ্যয়নৰ ধাৰা শীৰ্ষক বিষয়টি এক বৃহৎ পৰিসৰৰ অধ্যয়ন। ভাৰততত্ত্বৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত সম্পৰ্কীয় অধ্যয়নৰ সমান্তৰালকৈ নতুন নতুন দৃষ্টিভংগীৰে ভাৰতীয় জীৱন-জগত অধ্যয়ন কৰিব পৰা যাব। নুমিন'স বা হেইৰ'ফেনী আদি তত্ত্বৰ দৰে বিভিন্ন তাত্ত্বিক আধাৰৰ জৰিয়তেও ভাৰতীয় সাহিত্য, সমাজ, সংস্কৃতিৰ অধ্যয়ন কৰিব পৰা যাব। ভাৰততত্ত্বৰ পৰিসৰ কেৱল বৰ্তমানৰ ৰাজনৈতিক ভাৰত নহয়, প্ৰাচীন ভাৰতীয় সংস্ৃতিৰ ব্যাপ্তি অনুসৰি সাংস্কৃতিক ভাৰতীয় পৰিমণ্ডলত এই অধ্যয়ন কৰিলেহে ভাৰততত্ত্বৰ মূল তত্ত্ব উদ্ধাৰ হ'ব। সেয়ে প্ৰাচীন ভাৰতৰ কাষৰীয়া দেশ অথবা ৰাজ্য হিচাপে প্ৰাগজ্যোতিষ-কামৰূপ, সিংহল আদি ঠাইত ৰচিত সংস্কৃত সাহিত্যৰাজিৰো ভৱিষ্যতে অধ্যয়ন কৰিব পৰা যাব। তদুপৰি আধুনিক ভাৰততত্ত্ব কেৱল সনাতন পৰম্পৰা বা কেৱল সংস্কৃত সাহিত্যৰ অধ্যয়নতে সীমিত হৈ ৰোৱা নাই, ভাৰতসম্ভূত বৌদ্ধ, জৈন, শিখ আদি ধৰ্ম পৰম্পৰাৰ লগতে পালি-প্ৰাকৃত, দ্ৰাবিড়, তামিল, তেলুগু আদি ভাষাও সামৰি লৈছে, পৰৱৰ্তী সময়ত অসমীয়া, বাংলা আদি ভাষাৰ প্ৰাচীন সাহিত্যসমূহকো ভাৰততত্ত্বৰ দৃষ্টিৰে অধ্যয়ন কৰিব পৰা যাব। ইউৰোপৰ লগতে পৃথিৱীৰ বিভিন্ন দেশত ভাৰতীয় চিন্তা-চেতনা, প্ৰজ্ঞা-পৰম্পৰা তথা জীৱনসংস্কৃতিৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পাইছে। গতিকে ভাৰততত্ত্বৰ ভৱিষ্যত অধ্যয়নৰ সম্ভাৱনা বৃদ্ধি পাব বুলি ধাৰণা কৰিব পাৰি।

## প্ৰসংগ সূত্ৰ


১. Sirr-i-Akbar (Eng. translation by Salma Mahaphuza), Introduction, p.2

২. Majma-ul-Bahrain (Eng. translation by M.Mahfuz-ul-Haq), p.67-83

৩. Dandekar, R. N., Recent Trends in Indology, পৃ. ২

৪. Ibid., p.2

৫. Ibid., p.2

৬. Ibid., p.3

৭. Ibid., p.3

৮. পাণিনিৰ *অষ্টাধ্যায়ী ব্যাকৰণত* ভাৰতবৰ্ষ নামটোৰ আঁৰত 'ভৰত' নামৰ ঋকবৈদিক জাতিটোকেই ইংগিত দিয়া হৈছে। ব্যাকৰণখনৰ মতে 'ভাৰত' এক পৈতৃক বংশসূচক সংজ্ঞা হোৱাৰ লগতে এক সমষ্টিবাচক বা জাতিবাচক নামো হয়। এই জাতিয়ে বাস কৰা বাবে, আৰু আভ্যন্তৰীণ পৰম্পৰা অনুসৰি ইণ্ডিয়া 'ভাৰত' হিচাপে জনাজাত হোৱাৰ বাবে Indologyৰ ঠাইত 'ভাৰততত্ত্ব' শব্দটো ব্যৱহাৰ কৰা হৈছে।

৯. Friedrich Schlegel, Indische Bibliothek (Eng. Trans. Indian Library), p. 341

১০.Trehan, G.L. : Learning and Libraries in Ancient India, Chandigarh Library Litt. House, p.39

১১. Gupta, N.L. : Contributions of Western Indologists, Mohit Publications, New Delhi, P. 19

১২. Ibid., p.26

১৩. Sanskrit, Greek and Latin are three languages closely united, and without Sanskrit the science of language would have been impossible. –Max Muller F., Lectures on the Science of Language, Vol. I, London, P. 28

১৪. Max Muller F., The Six Systems of Indian Philosophy, p. 69

১৫. Ibid., p.104-110

১৬. (ক) Aryan, in scientific language, is utterly inapplicable to race. It means language and nothing but language. –Max Muller, Lectures on the Science of Language, Vol. I, p.120

(àÁ) To Speak of Aryan blood, Aryan eyes and hair is as great a mistake as to speak of a dolichocephalic grammar. — Ibid, p.121

17. Christian Lassen, Indische Alterthumskunde [Eng.: Indian Antiquities: Studies in Ancient Indian History and Culture], p.535

১৮. Rudolf Von Roth, Zur Litteratur und Geschichte Des Veda (Eng. : On The Literature and History of The Vedas), p. 21

১৯. Albrecht Weber, History of Indian Literature, p.16 (He associated these fortifications with the references in the Rgveda to forts (Pur) and warriors like Indra (Purandara) as a destroyer of forts, linking this imagery to archeology.)

২০. Mortimer Wheeler, Harappa and the Indus Civilization, p.78 (He Interpreted a cluster of unburied skeletons from Mohenjo-Daro as massacre victims, which he attributed to a possible Aryan incursion.)

২১. আধুনিক গৱেষণাই মৰ্টিমাৰ হুইলাৰৰ 'আৰ্য আক্ৰমণ সিদ্ধান্ত'ক সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰিছে। কিয়নো প্ৰাসংগিক কালখণ্ডত সহিংস ধ্বংসকাৰ্যৰ কোনো দৃঢ় প্ৰত্নতাত্ত্বিক প্ৰমাণ খননকাৰ্যৰ জৰিয়তে প্ৰাপ্ত হোৱা নাই। মহেঞ্জোদাৰো, হৰপ্পা আদিত প্ৰাপ্ত নৰকংকালসমূহৰ উন্নত পৰীক্ষণত অস্ত্ৰ বা যিকোনো মানৱকৃত আক্ৰমণৰ ফল নহয় বুলি প্ৰমাণিত হৈছে। বিপৰীতে প্ৰাকৃতিক কাৰণতহে ধ্বংস হোৱা বুলি স্বীকৃতি দিছে। সেয়ে আৰ্য আক্ৰমণ সিদ্ধান্তক আৰ্য প্ৰব্ৰজন সিদ্ধান্ত ৰূপেহে গ্ৰহণ কৰাৰ পোষকতা কৰা হয়।

২২. Numinous ৰ মূল লেটিন ভাষাৰ Numen শব্দৰ পৰা আহিছে। ইয়াৰ অৰ্থ ঈশ্বৰীয় ইচ্ছা, দিব্য উপস্থিতি, অলৌকিক শক্তিৰ উদ্ভৱ।

২৩. Otto, Rudolf, The Idea of the Holy, p.47

২৪. Winternitz, Maurice, A History of Indian Literature, Vol. I, Introduction, p.iv

২৫. Sengupta, Gauranga Gopal : Indology and its Eminent Western Savants, P. 67

২৬. Ibid., p.68

২৭. Ibid., p.121

২৮. Ibid., p.124

২৯. Ibid., p.69

৩০. Ibid., p.77

৩১. Ibid., p.78

৩২. Ibid., p.80

৩৩. Ibid., p.65

৩৪. Ibid., p.95

৩৫. Mircea Eliade, Patterns in Comparative Religion, P.446. (Hierophany ঃ Ontological Hierophany, Spatial Hierophany, Temporal Hierophany আৰু Cognitive or Experiential Hierophany )

**সহায়ক গ্ৰন্থপঞ্জী**


Chattopadhyaya, Debiprasad. What Is Living and What Is Dead in Indian Philosophy. New Delhi: People's Publishing House, 1976. Print.

Dasgupta, Gaurangalal. Indology and Its Eminent Western Savants. Calcutta: Sanskrit Pustak Bhandar, 1962. Print.

Dasgupta, Surendranath. A History of Indian Philosophy. Vols. 1–5. Cambridge: Cambridge UP, 1922–1955. Print.

De Nobili, Roberto. Dialogues on Indian Religion. Trans. Anand Amaladass. Chennai: Satya Nilayam, 1971. Print.

Ghosh, Manomohan. Studies in Indian Cultural History. Calcutta: Firma K. L. Mukhopadhyay, 1957. Print.

Kane, Pandurang Vaman. History of Dharmasastra. Vols. 1–5. Poona: Bhandarkar Oriental Research Institute, 1930–1962. Print.

Muller, Friedrich Max. A History of Ancient Sanskrit Literature. London: Williams and Norgate, 1859. Print.

Otto, Rudolf. The Idea of the Holy. Trans. John W. Harvey. Oxford: Oxford UP, 1923. Print.

Radhakrishnan, Sarvepalli. Indian Philosophy. Vols. 1–2. London: George Allen & Unwin, 1923. Print.

Rogerius, Abraham. De Open-Deure Tot Het Verborgen Heydendom. Leiden: Elsevier, 1651. Print.

Sassetti, Filippo. Lettere ed altri scritti. Florence: Sansoni, 1885. Print.

Schlegel, August Wilhelm von. Indische Bibliothek. Bonn: Marcus und Weber, 1820–1830. Print.
Sharma, Chandradhar. A Critical Survey of Indian Philosophy. Delhi: Motilal Banarsidass, 1960. Print.
Thapar, Romila. Ancient Indian Social History: Some Interpretations. New Delhi: Orient Longman, 1978. Print.
Upadhyaya, Baldev. Indian Tradition of Historical Writing. Varanasi: Chowkhamba Vidyabhavan, 1966. Print.
Winternitz, Maurice. A History of Indian Literature. Vols. 1–3. Calcutta: University of Calcutta, 1927–1933. Print.